Content includes AI-generated material




www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MAY 28, 2025 ■ বুধবাৰ, ১৩ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫০ Guwahati, Assam ।। মূল্যঃ এটকা

## বিজেপি নেতাৰ বিতৰ্ক উপায়ুক্তক পাকিস্তানী আখ্যা, গোচৰ ৰুজু

কালাবুৰাগী, ২৭ মে': আকৌ বিজেপি নেতাৰ বিৰুদ্ধে উত্থাপিত হ'ল বিভাজনমূলক মন্তব্যৰ অভিযোগ। ২ পৃষ্ঠাত

## উত্তপ্ত মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্ত, শূন্যলৈ গুলী

# ১৪ সন্দেহযুক্ত লোকক এৰি দিলে ন' মেনছ লেণ্ডত

## উভতি ধৰিলে ৰিপুণে আলফা নেতা হিমন্ত কেনেকৈ হ'ল মুখ্যমন্ত্ৰী?

গুৱাহাটী, ২৭ মে': গৌৰৱ গগৈক লৈ সমগ্ৰ দেশতে চলি আছে বিতৰ্ক। গৌৰৱ গগৈ আৰু গৌৰৱ গগৈৰ লগত ২ পৃষ্ঠাত


ন' মেনছ লেণ্ডত এৰি দিয়া লোকসকল

## উচ্চতম ন্যায়ালয়ৰ বিশেষ নিৰ্দেশ অৱমাননা কৰাৰ অভিযোগ পৰিয়ালৰ, বিএছএফৰ বিবৃতিত বিপৰীত ভাষ্য

ই-সংবাদ, ২৭ মে' : নামনি অসমৰ মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তত ন' মেনছ লেণ্ডত ভাৰতীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা ১৪ জন লোকক জোৰ-জবৰদস্তি মুকলি কৰি অহাৰ ৭ পৃষ্ঠাত

## অৱশেষত কাৰামুক্তি ৮ দিনৰ অন্তত বন্দীত্বৰ অৱসান শংকৰজ্যোতিৰ

ই-সংবাদ, ২৭ মে' : অৱশেষত ডিব্ৰুগড় কাৰাগাৰৰ পৰা ৩ পৃষ্ঠাত

## পাঞ্জা খেলুৱৈ জিমিৰ আত্মহনন!

ই-সংবাদ, শিৱসাগৰ, ২৭ মে': ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা খেলুৱৈ তথা গ'ল্ড মেডেলিষ্ট জিমি দাসে আত্মহত্যা কৰা ৪ পৃষ্ঠাত

## 'এক্স'ত শ্ৰদ্ধাঞ্জলি জনাই গুজৰাটৰ জনসভাত নেহৰুক লৈ মোদীৰ 'ভিক্টিম কাৰ্ড'




গান্ধীনগৰ, ২৭ মে': আজি দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ৬১ সংখ্যক মৃত্যু বাৰ্ষিকী। এই বিশেষ দিনটোত শীৰ্ষ নেতাসকলৰ লগতে সামাজিক ৫ পৃষ্ঠাত

## গোচৰ ৰুজু ডিম্পুৰ বিৰুদ্ধে

ই-সংবাদ, ২৭ মে' : তথাকথিত ইউটিউবাৰ ডিম্পু বৰুৱাৰ বিৰুদ্ধে গোচৰ ৫ পৃষ্ঠাত

## জম্মু-কাশ্মীৰত বিধ্বস্ত পৰ্যটন! পেহেলগামত কেবিনেট মিটিং মুখ্যমন্ত্ৰী আব্দুল্লাৰ



শ্ৰীনগৰ, ২৭ মে': পেহেলগামত সংঘটিত এই নৃশংস নৰসংহাৰৰ পিছতে বিধ্বস্ত হৈ পৰিছে ভূস্বৰ্গ জম্মু-কাশ্মীৰৰ পৰ্যটন ব্যৱস্থা। ৪ পৃষ্ঠাত

## গৌৰৱক জবাবদিহীৰ চেষ্টা মুখ্যমন্ত্ৰীৰ সুৰত সুৰ মিলাই সৰৱ অসমীয়া যুৱ মঞ্চ

ই-সংবাদ বিশেষ, ২৭ মে' : পেহেলগাম ঘটনাৰ পিছৰ পৰাই গৌৰৱ গগৈৰ বিৰুদ্ধে ন ন অভিযোগ আনিছে ৮ পৃষ্ঠাত

## আশাবাদী অখিল, গৌৰৱৰ নেতৃত্বত বাহিৰ হ'ব বিজয় মিছিল

### বিৰোধীৰ মিত্ৰতাৰ বাবে ডেডলাইনো বৃদ্ধি




ই-সংবাদ, ২৭ মে' : যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদ লাভ কৰাৰ পিছতে কংগ্ৰেছৰ ভিতৰচ'ৰাত আনন্দ-উল্লাস দেখা গৈছে। গৌৰৱ গগৈৰ নেতৃত্বত ২০২৬ ৩ পৃষ্ঠাত

## ভূপেন বৰাৰ সংবাদমেল সঁচা! বিমানত মুখ্যমন্ত্ৰীয়ে কৰিছিল সেই ভৱিষ্যদ্বাণী



গুৱাহাটী, ২৭ মে': অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতৃত্বৰ পৰিৱৰ্তনৰ লগে লগে গাদীচ্যুত ৫ পৃষ্ঠাত

## অসমৰ ৰাইজে গৌৰৱকে বিচাৰে নেতা হিচাপে

### দাবী কে চি বেণুগোপালৰ

গুৱাহাটী, ২৭ মে': সলনি হ'ল অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্ব। চাৰি বছৰ পূৰ্ণ হ'বলৈ ৪ পৃষ্ঠাত

## অভিশপ্ত বাঘজান! দুঃসহ স্মৃতিৰে পালন 'ক'লা দিন'

### বাঘজান অইল বিস্ফোৰণ কাণ্ডৰ পাঁচটা বছৰ সম্পূৰ্ণ

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ মে' : বিশ্ব কঁপাই যোৱা বাঘজান অইল বিস্ফোৰণ কাণ্ডই আজি সম্পূৰ্ণ কৰিলে পাঁচটা বৰ্ষ। তিনিচুকীয়া জিলাৰ বাঘজানত ২০২০ বৰ্ষৰ আজিৰ দিনটোতেই অইল ইণ্ডিয়া লিমিটেডৰ বাঘজানস্থিত বি জি এন-৫ তৈল কূপত অহৰহভাৱে গেছ নিৰ্গত হৈ ৯ জুনত ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। ঘটনাটো ইমানেই ভয়াবহ আছিল যে সম্পূৰ্ণৰূপে বিনষ্ট হৈছিল সেউজীয়া প্ৰাকৃতিক পৰিৱেশ। জুইত জাহ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগামত কেবিনেট মিটিং মুখ্যমন্ত্ৰী

একে সময়তে এতিয়া স্থানীয় নিৱাসীৰ জীৱন-জীৱিকাৰ প্ৰতিও নামি আহিছে সংশয়। এসময়ত সন্ত্ৰাসবাদৰ অভিকেন্দ্ৰ হিচাপে পৰিচিত জম্মু-কাশ্মীৰৰ পৰিৱেশ সলনি হোৱাৰ পিছত লাহে লাহে সমাগম ঘটিছিল দেশ বিদেশৰ পৰ্যটকসকলৰ। কিন্তু হঠাৎ সংঘটিত ২২ এপ্ৰিলৰ সন্ত্ৰাসবাদী আক্ৰমণে পুনৰ বিপৰ্যয় নমাই আনিছে উপত্যকালৈ। আনকি পৰ্যটকৰ এই 'পিক ছিজন'তো এতিয়া জনশূন্য হৈ পৰি ৰৈছে উপত্যকাৰ এসময়ৰ আটাইতকৈ ভিৰ কৰা পৰ্যটন ক্ষেত্ৰসমূহ। পৰিণামস্বৰূপে একপ্ৰকাৰ স্তব্ধ হৈ পৰিছে জম্মু-কাশ্মীৰৰ অৰ্থনীতি। এনে কাৰণতে, এতিয়া এই ভয়াৱহ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ আৰু পৰ্যটকৰ আস্থা ঘূৰাই অনাৰ বাবে অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই। সচিবালয়ৰ পৰম্পৰাগত পদ্ধতি ভংগ কৰি তেওঁ পেহেলগামৰ এখন ৰিজৰ্টত কেবিনেট বৈঠক অনুষ্ঠিত কৰে। উল্লেখ্য যে, ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত উগ্ৰপন্থীয়ে ২৬ জন পৰ্যটকক হত্যা কৰিছিল, যিটো উপত্যকাৰ পৰ্যটনৰ ইতিহাসৰ বাবে পৰিগণিত হৈছিল অন্যতম ভয়াৱহ ঘটনা। এই আক্ৰমণৰ ফলত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পায়। সন্ত্ৰাসবাদী আতংক আৰু দুয়োখন দেশৰ সংঘাতৰ ফলত কাশ্মীৰৰ পৰ্যটন প্ৰায় স্তব্ধ হৈ পৰিছে। লাভ কৰা তথ্য অনুসৰি কাশ্মীৰ উপত্যকাত এপ্ৰিলৰ পৰা আগষ্টলৈকে ১৩ লাখৰো অধিক বুকিং বাতিল কৰা হৈছিল। যদিও এই সময়ত সাধাৰণতে ২৫ লাখ পৰ্যটকে ভিৰ কৰে, তথাপিও এইবাৰ তেওঁলোকৰ ৯০ শতাংশ পৰ্যটকেই উপত্যকা ভ্ৰমণ বাতিল কৰিব বুলি আশংকা কৰা হৈছে। এক সমীক্ষাত দেখা গৈছে যে ২০২৫ চনৰ মে'ৰ পৰা ডিচেম্বৰৰ ভিতৰত কাশ্মীৰলৈ যোৱাৰ পৰিকল্পনা কৰা ৬২ শতাংশ পৰিয়ালে যাত্ৰা বাতিল কৰিছে। এই হঠাৎ পতনে স্থানীয় অৰ্থনীতি, বিশেষকৈ পৰ্যটন নিৰ্ভৰশীল সম্প্ৰদায়ৰ জীৱিকাৰ ওপৰত ভয়াৱহ প্ৰভাৱ পেলাইছে। এনে এক চিন্তনীয় পৰিস্থিতিত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই পৰ্যটকৰ আস্থা ঘূৰাই অনাৰ বাবে অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ শ্ৰীনগৰ বা জম্মুৰ সচিবালয়ৰ পৰিৱৰ্তে কাশ্মীৰৰ জনপ্ৰিয় পৰ্যটনস্থলীৰ ৰিজৰ্টত কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। সেই অনুসৰি মঙলবাৰে পেহেলগামৰ এখন ৰিজৰ্টত মুখ্যমন্ত্ৰী ওমৰক কেবিনেট বৈঠক অনুষ্ঠিত কৰা দেখা যায়। কেবিনেট সদস্যৰ লগতে উপত্যকাৰ আৰক্ষী বিষয়া আৰু মুখ্য সচিব তাত উপস্থিত থাকে। স্থানীয় ব্যৱসায়ীসকলৰ সৈতেও বাৰ্তালাপ কৰে। ইয়াৰ উপৰি বুধবাৰে কাশ্মীৰৰ গুলমাৰ্গত মুখ্যমন্ত্ৰীৰ আন এখন বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছে। এই পদক্ষেপ সন্দৰ্ভত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কয়, "যদি আমি তালৈ নাযাওঁ, তেন্তে কোনে যাব? এই বৈঠকৰ দুটা মূল উদ্দেশ্য আছে। প্ৰথমে আমি অঞ্চলটোলৈ গৈ তাত থকা প্ৰকৃত পৰিস্থিতিৰ বিষয়ে জানিব পাৰিম। আৰু দ্বিতীয়তে, আমি স্থানীয় জনসাধাৰণ আৰু পৰ্যটকৰ মাজত আস্থা ঘূৰাই আনিম।" ইয়াৰ পূৰ্বে নিটি আয়োগৰ এখন বৈঠকত ওমৰে প্ৰধানমন্ত্ৰীক ৰাইজৰ মনৰ পৰা কাশ্মীৰৰ ভয় আঁতৰোৱাৰ বাবে উদ্যোগ ল'বলৈ আহ্বান জনাইছিল। পৰ্যটনক পুনৰুজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু পৰ্যটন ক্ষেত্ৰই এই মুহূৰ্তত একেলগে আগবাঢ়িছে। সমগ্ৰ কাশ্মীৰত পৰ্যটকক আকৰ্ষণ কৰিবলৈ হোটেল আৰু ট্যুৰ পেকেজত বিপুল ৰেহাই দিয়া হৈছে। ইয়াৰ উপৰি 'লেটছ গ' কাশ্মীৰ' বা 'লেটছ ভিজিট জে এণ্ড কে'ৰ দৰে অভিযান আৰম্ভ কৰা হৈছে, য'ত দেশৰ প্ৰায় ২৪০০ টা ট্যুৰ কোম্পানীয়ে অংশগ্ৰহণ কৰিছে। ২০ মে'ত প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাতো পৰ্যটন খণ্ডৰ অগ্ৰগতি আৰু পৰ্যটকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছিল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উপায়ুক্তক পাকিস্তানী আখ্যা, গোচৰ ৰুজু

এগৰাকী মহিলা আই এ এছ বিষয়াক ' পাকিস্তানী' আখ্যা দিয়াৰ অভিযোগ উত্থাপন হৈছে কৰ্ণাটকৰ এজন বিজেপি নেতাৰ বিৰুদ্ধে। এই আপত্তিজনক মন্তব্যক লৈ সমগ্ৰ দেশজুৰি ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছতে গোচৰ ৰুজু কৰা হয় অভিযুক্ত বিজেপি এম এল চি এন ৰবিকুমাৰৰ বিৰুদ্ধে। অভিযোগ অনুসৰি, ২৪ মে'ত বিজেপিৰ এক প্ৰতিবাদী কাৰ্যসূচীত ৰবিকুমাৰে কালাবুৰাগীৰ উপায়ুক্ত ফৌজিয়া তাৰানুমক লৈ এই বিতৰ্কিত মন্তব্য কৰে। এই মন্তব্যক লৈ মঙলবাৰে ষ্টেচন বজাৰ থানাত ৰবিকুমাৰৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰা হয় আৰু বৰ্তমান বিষয়টো তদন্ত চলি আছে। ইফালে, এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে আই এ এছ অফিচাৰ্ছ এছ'চিয়েচনেও। ৰবিকুমাৰৰ 'দায়িত্বহীন আৰু অগ্ৰহণযোগ্য মন্তব্য'ৰ বাবে বিনাচৰ্তে ক্ষমা খোজাৰ দাবী জনাইছে সংস্থাটোৱে। সস্থাই এক বিবৃতিত কয়, "ফৌজিয়া তৰানুম এগৰাকী সৎ বিষয়া, যিয়ে নিজৰ কেৰিয়াৰত জনসেৱাৰ প্ৰতি দৃষ্টান্তমূলক নিষ্ঠা আৰু গভীৰ অৱদান প্ৰদৰ্শন কৰিছে। তেওঁৰ বিৰুদ্ধে ৰবিকুমাৰৰ মন্তব্য ভিত্তিহীন, অৰ্থহীন আৰু সম্পূৰ্ণ অযুক্তিকৰ।
এনে উত্তেজক আৰু ভুৱা বক্তব্যই কেৱল নিষ্ঠাবান অসামৰিক সেৱাৰ বিষয়াসকলৰ সুনাম কলংকিত কৰাই নহয়, তেওঁলোকক মানসিক আঘাতো দিয়ে। এনে মন্তব্যৰে তেওঁলোকক নিজৰ কৰ্তব্য পালনত হাৰাশাস্তি কৰা হৈছে।" কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই ৰবিকুমাৰৰ মন্তব্যক 'অসহনীয়' বুলি অভিহিত কৰি সমাজত বিভাজন সৃষ্টিৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন কৰে। উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰেও মহিলা বিষয়াৰ প্ৰতি দেখুওৱা অসন্মানক কটু সমালোচনা কৰে। এই সন্দৰ্ভত বিজেপিৰ শীৰ্ষ নেতৃত্বক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। অৱশ্যে ফৌজিয়া তৰানুমে নিজেই এই সন্দৰ্ভত কোনো মন্তব্য দিবলৈ অস্বীকাৰ কৰে। তেওঁ কয় যে তেওঁৰ কামে তেওঁৰ হৈ কথা ক'ব। আনহাতে বিজেপিৰ ৰাজ্যিক সভাপতি বি ৱাই বিজয়েন্দ্ৰই ঘটনাটোক উপেক্ষা কৰা পৰিলক্ষিত হয়। ইতিমধ্যে ৰবিকুমাৰে তেওঁৰ মন্তব্যৰ বাবে ক্ষমা খুজিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফা নেতা হিমন্ত কেনেকৈ হ'ল

পাকিস্তানী সন্ত্ৰাসবাদীৰ সম্পৰ্ক আছে বুলি বাৰে বাৰে তথ্যহীন দাবী কৰি আহিছে হিমন্ত বিশ্ব শৰ্মাই। লাহে লাহে সেই সুৰতেই সুৰ মিলাই গৌৰৱ গগৈক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ পবিত্ৰ মাৰ্ঘেৰিটা আৰু পীযুষ হাজৰিকাই। ইয়াৰ মাজতে, দেওবাৰে কংগ্ৰেছৰ হাইকমাণ্ডে গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে নিযুক্তি দিয়ে। তাৰপিছতে গৌৰৱ গগৈক পুনৰ আক্ৰমণৰ লক্ষ্য কৰি লয় হিমন্ত বিশ্ব শৰ্মা আৰু আন বিজেপি নেতাসকলে। তাৰমাজতে গৌৰৱ গগৈৰ সমৰ্থনত নামি পৰিছে ৰিপুণ বৰা। হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লৈছে ৰিপুন বৰাই। সংবাদমেল সম্বোধন কৰি ৰিপুন বৰাই গৌৰৱ গগৈৰ পাকিস্তান সংযোগক প্ৰতিষ্ঠা কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰি অহা অবিৰত প্ৰচেষ্টাৰ বিৰুদ্ধেও সৰৱ হয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী শৰ্মাৰ ভাতৃয়ে ৰিপুন বৰাক সামাজিক মাধ্যমত তিহাৰ জে'ল ফেৰৎ বুলি আক্ৰমণ কৰে। ইফালে, মুখ্যমন্ত্ৰী শৰ্মায়ো ৰিপুন বৰাৰ বক্তব্যক ভুল নেৰেটিভ সৃষ্টিৰ চেষ্টা কৰাৰ প্ৰয়াস কৰি গৌৰৱ গগৈক আক্ৰমণ কৰে। ৰিপুন বৰাই দাবী কৰিছে যে গৌৰৱ গগৈ প্ৰসংগত প্ৰথমটো চেষ্টাত বিফল হৈছে হিমন্ত বিশ্ব শৰ্মা। গৌৰৱ গগৈক প্ৰদেশ কংগ্ৰেছৰ সভাপতি হোৱাত বাধা দিবৰ বাবেই মুখ্যমন্ত্ৰীয়ে পাকিস্তান প্ৰসংগত আক্ৰমণ কৰা বুলি দাবী কৰিছে প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুন বৰাই। ৰিপুন বৰাৰ দাবী-- মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথমটো অপচেষ্টা আৰু বাধাক ওফৰাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি হ'ল গৌৰৱ গগৈ। লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অতীতৰ ঘটনাক লৈ তুলা-ধুনা দিয়ে বৰাই। ৰিপুন বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাই এসময়ত অবৈধ অস্ত্ৰ মজুত ৰাখিছিল। হিমন্ত বিশ্ব শৰ্মা আলফা সদস্য আছিল আৰু টাডা আইনত গ্ৰেপ্তাৰ হৈ জে'ললৈ গৈছিল বুলিও দাবী কৰে ৰিপুন বৰাই। বৰাই প্ৰশ্ন কৰে-- এসময়ত অবৈধ অস্ত্ৰ মজুত ৰখা হিমন্ত বিশ্ব শৰ্মা কেনেকৈ মুখ্যমন্ত্ৰী হ'ল? আলফাৰ পৰা সমৰ্থন নকৰাকৈয়ে মুখ্যমন্ত্ৰী কিদৰে হ'ল বুলিও হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰে কংগ্ৰেছৰ প্ৰাক্তন সভাপতিগৰাকীয়ে। মুঠৰ ওপৰত এতিয়া গৌৰৱ গগৈক আক্ৰমণ কৰিবলৈ গৈ এটা এটাকৈ পুৰণি কুকীৰ্তি উদং খাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আশাবাদী অখিল, গৌৰৱৰ নেতৃত্বত বাহিৰ

চনৰ নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বলৈ নিখিল ভাৰত কংগ্ৰেছ সমিতিয়ে গৌৰৱ গগৈক দায়িত্ব প্ৰদানৰ পিছতে ৰাজ্যৰ কেইবাখনো জিলা সমিতিয়ে ফটকা ফুটাই, মিঠাই বিতৰণ কৰা দেখা গৈছে। বোকাখাত, যোৰহাট, বজালী আদি জিলাত আনন্দ-উল্লাস কৰা দেখা গৈছে। দলৰ এটা সূত্ৰমতে, কংগ্ৰেছৰ এটা পক্ষই সভাপতি পদৰ পৰা ভূপেন বৰাক অপসাৰণ কৰাৰ বাবে নাৰাজ যদিও কংগ্ৰেছত তৰুণ গগৈৰ কাৰ্যকালৰ পৰা সক্ৰিয় হৈ থকা নেতাসকলক সুখী হোৱা দেখা গৈছে। কংগ্ৰেছক নেতৃত্ব দি গৌৰৱ গগৈয়ে ২০২৬ চনত হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰিছে। লোকসভা নিৰ্বাচনত তিনিখন আসন লাভ কৰা তথা যোৰহাটৰ দৰে সমষ্টিত জয়ী হোৱাৰ পিছতে পঞ্চায়ত নিৰ্বাচনত মুখথেকেচা খাইছিল। এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছে ইতিহাসৰ সকলোতকৈ দুৰ্বল প্ৰদৰ্শন কৰিছিল। লগতে জিলাই জিলাই ব্লক সভাপতি নিযুক্তিত ব্যাপক খাম-খেয়ালি দেখা গৈছিল। খবৰ মতে, ব্লক সভাপতি নিযুক্তিত ব্যাপক দুৰ্নীতি হৈছিল। তেনেকৈ পঞ্চায়ত নিৰ্বাচনত টিকট প্ৰদানত কংগ্ৰেছত ব্যাপক টকাৰ লেনদেন কৰা হৈছিল। যি খবৰ লাভ কৰিছিল নিখিল ভাৰত কংগ্ৰেছে। আনকি গুৱাহাটীৰ পৰা একাংশ বিধায়কে স্বাক্ষৰ কৰি বহু অভিযোগ দাখিল কৰিছিল সদ্য অপসাৰিত ভূপেন কুমাৰ বৰাৰ বিৰুদ্ধে। এনে অভিযোগৰ ভিত্তিতে ১৫ মে'ত ভূপেন কুমাৰ বৰাক তলব কৰিছিল। য'ত নতুন দিল্লীত কংগ্ৰেছৰ শীৰ্ষ নেতাৰ সৈতে বৈঠকত পঞ্চায়ত নিৰ্বাচনত পৰাজয়, ব্লক সভাপতি নিযুক্তিক খাম-খেয়ালি আদি কথা অৱগত কৰি দলীয় নেতৃত্ব সলনি কৰাৰ কথা অৱগত কৰা হৈছিল। যিসমূহ কথা ভূপেন বৰাই মানি লৈ সভাপতি সলনি কৰিলে আপত্তি নাই বুলি কথা দিয়া বুলি দলী.য় এটা সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে গৌৰৱ গগৈ সভাপতি নিযুক্ত হোৱাত আশবাদী বিৰোধী দলসমূহ। ৰাইজৰ দল, অসম জাতীয় পৰিষদ আদি দলে গৌৰৱ গগৈক শুভেচ্ছা জ্ঞাপন কৰি একত্ৰিত যুঁজত গৌৰৱ গগৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে গৌৰৱ গগৈয়ে বিৰোধীক এক কৰাত গুৰুত্বপূপ্ণ ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰিছে। গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব দিয়াত লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈক সুখী হোৱা দেখা গৈছে। গৌৰৱ গগৈৰ প্ৰত্যক্ষ নেতৃত্বতে আটাইকেইটা দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়িছে। পুনৰ লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিৰোধী ঐক্যবদ্ধ হ'লে বিজেপিক পৰাভূত কৰিব পৰা যাব বুলি দাবী কৰিছে। কালি ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ দুয়োগৰাকী মুৰব্বীয়ে গৌৰৱ গগৈক শুভেচ্ছা জ্ঞাপন কৰি মিত্ৰতাৰ কথা কৈছিল যদিও আজিও অখিল গগৈয়ে সংবাদমেল পাতি মিত্ৰতাৰ কথা আকৌ এবাৰ দোহাৰিছে। অখিল গগৈয়ে কয় যে গৌৰৱ গগৈৰ নেতৃত্বত ২৬ত আমি জিকিম। কিন্তু কংগ্ৰেছ দলে গৌৰৱ গগৈক নতুন নিযুক্তি দিছে, তাৰ বাবে গৌৰৱ গগৈৰ স্থিতিৰ ওপৰত মিত্ৰতাৰ কথা নিৰ্ভৰ কৰিব। যদি গৌৰৱ গগৈয়ে এটা ভাল স্থিতি লয় বা অসম প্ৰদেশ কংগ্ৰেছ আৰু এআইচিচিয়ে স্থিতি গ্ৰহণ কৰে, সেয়া সম্পূৰ্ণ তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব। গৌৰৱ গগৈৰ স্থিতিৰ ওপৰতে মিত্ৰতাৰ কথাটো নিৰ্ভৰ কৰিব। গৌৰৱ গগৈয়ে ভাল স্থিতি ল'ব লাগিব। আমি ঐক্যবদ্ধ হ'লে নিৰ্বাচনত জিকিব পাৰিম। সাংবাদিকে গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ অভিযোগ সন্দৰ্ভত প্ৰশ্ন কৰাত অখিল গগৈয়ে কয় এইবোৰ কথা স্পষ্ট হ'ব লাগে। যদি কিবা প্ৰমাণ আছে তেন্তে দিব লাগে। ভাৰত চৰকাৰৰ বহু বিভাগ আছে, এজেঞ্চী আছে, পুলিচ আছে, যদি গৌৰৱ গগৈৰ বিৰুদ্ধে কিবা অভিযোগ সঁচাই আছে তেন্তে সেইবোৰ তথ্য সহকাৰে আনি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনেই পাকিস্তান, পাকিস্তান, বাংলাদেশ, বাংলাদেশ চিঞৰি থাকি লাভ নাই। বাংলাদেশী গ্ৰেপ্তাৰ অভিযান সন্দৰ্ভত অখিল গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ১৯৭৫ চনৰ ২৫ মাৰ্চৰ পাছত অহা সকলো বিদেশীক বিতাড়ন কৰিব লাগে। কিন্তু হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত সকলোতকৈ কম বাংলাদেশী বিতাড়ন হৈছে। সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনতহে অধিক বাংলাদেশী বিতাড়ন কৰা হৈছে। বিজেপি চৰকাৰে বাংলাদেশী ইছ্যুটো শেষ কৰিব বিচৰা নাই। যাৰ বাবে এনআৰচিৰ বিষয়টো শেষ কৰিব বিচৰা নাই। কিন্তু দেশী-বিদেশীৰ এটা সৰু ফাঁক চৰকাৰে ৰাখি থৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৮ দিনৰ অন্তত বন্দীত্বৰ অৱসান শংকৰ

ওলাল প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱা। সোমবাৰে অন্তৰ্ৱৰ্তীকালীন জামিন লাভ কৰিছিল শংকৰজ্যোতিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কৰিছিল জামিন মঞ্জুৰ। ৩০ হাজাৰ টকা বেইল বণ্ডত জামিন লাভ কৰিছে প্ৰাক্তন ছাত্ৰ নেতাগৰাকীয়ে। কাৰাগাৰৰ পৰা ওলাইয়ে মাতৃৰ কথা কৈ কন্দনামুৱা হৈ পৰে ছাত্ৰ নেতাজন। কাৰামুক্ত হৈ সংবাদ মাধ্যমৰ সমুখত তেওঁ কয়, "জামিন হোৱাৰ দিনাখন সংবাদ মাধ্যমত মাৰ মন্তব্য দেখিলো। মাৰ মুখখন দেখি ভাল লাগিছে। আটাইকেইটা দিনতে মাৰ কথা মনত পৰি আছিল। মাৰ স্বাস্থ্যৰ কথা মনলৈ আহি আছিল। মাৰ স্বাস্থ্য আচলতে ইমান ভাল নহয়। গুৱাহাটীত চিকিৎসা কৰি আছে। গোটেইখিনি ময়েই চোৱা-চিতা কৰি আহিছো। মাৰ টোপনি নহা অসুখ এটা আছে। টোপনি নাহিলে স্বাস্থ্য বেয়া হয়। মোৰ চিন্তাত মায়ে আৰু টোপনি যাব পৰা নাছিল। সেইখিনি কথা অনুভৱ কৰি প্ৰতিদিনে অনুশোচনা হৈছিল। পিছত বাতৰিত মাক দেখি মনটো ভাল লাগিছিল।" কাৰাগাৰত থকা সময়ছোৱাত কাৰাগাৰৰ ভিতৰত শিৱ মন্দিৰ আৰু হনুমান মন্দিৰত মাতৃৰ সুস্বাস্থ্য কামনা কৰি সদায়েই প্ৰাৰ্থনা কৰিছিল বুলিও কয় শংকৰজ্যোতিয়ে। উল্লেখ্য যে, দুলীয়াজানৰ মাৰপিটৰ গোচৰত অভিযুক্ত আছিল শংকৰজ্যোতি। শংকৰজ্যোতিৰ বিৰুদ্ধে আছিল দুটাকৈ গোচৰ। সংবাদমাধ্যমৰ সন্মুখত তেওঁ আৰু কয়, 'জনতা-জনাৰ্দনে সকলো প্ৰত্যক্ষ কৰি থাকে। স্বাভিমানৰ পক্ষত মাত মতা সকলোকে ধন্যবাদ জনাইছোঁ। বিশেষকৈ অসমৰ প্ৰতিটো সংবাদ গোষ্ঠী, দুলীয়াজানৰ ৰাইজ তথা ৰাজ্যৰ দল-সংগঠনক ধন্যবাদ জনাইছোঁ।' ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈছে নেকি বুলি সোধাত শংকৰে কয়, 'মই ৯ দিন যিহেতু জে'লৰ ভিতৰতে আছিলো। মই বাহিৰৰ একো কথা গম পোৱা নাই। এতিয়া মই সকলো কথা পৰ্যবেক্ষণ কৰি পৰৱৰ্তী সময়ত প্ৰতিক্ৰিয়া ব্যক্তি কৰিম।' হেণ্ডকাফ প্ৰসংগত আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদকজনে কয়, 'মোক হেণ্ডকাফ লগাওঁতে ৩০৭ ধাৰা লগোৱা হোৱা নাছিল। পাঁচ বজাৰ পাছততহে ৩০৭ আৰোপ কৰা হৈছিল। কাৰোবাৰ নিৰ্দেশত হেণ্ডকাফ খুলি দিছিল। মোক ফেচবুক পোষ্টৰ বাবেহে গ্ৰেপ্তাৰ কৰিছিল।' আনহাতে, কাৰাগাৰৰ পৰা ওলোৱাৰ পাছতেই শংকৰজ্যোতি বৰুৱাক লৈ চলিছে আন এক চৰ্চা। বিজেপিৰ প্ৰতীক সম্বলিত বাহনত প্ৰাক্তন আছুনেতাগৰাকীয়ে যাত্ৰা কৰাক লৈ সামাজিক মাধ্যমত সৃষ্টি হৈছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ। এই সন্দৰ্ভত তেওঁ কয়, "বহু গাড়ী বাহিৰত ৰৈ আছিল। সংবাদ মাধ্যমৰ লোকো ৰৈ আছিল। প্ৰথমে কোনোবা এখন গাড়ীত বাইট দিছিলো। তাৰ পিছত আৰু এখন গাড়ীত দিলো। এখন গাড়ীত বিজেপিৰ প্ৰতীক লাগি আছিল। মোৰ ঘৰুৱা এজন দাদাৰ গাড়ী হয়। তেখেতে ছেকেণ্ডহেণ্ডকৈ কিনিছিল। তেখেতে আজিলৈকে বিষয়টো প্ৰত্যক্ষ কৰা নাই। গতিকে মই সকলোকে সেই লৈ বিতৰ্ক নকৰিবলৈ আহ্বান জনাইছো।" ইফালে, নিশাৰ ভাগত ডিব্ৰুগড়ৰ কাৰাগাৰৰ পৰা আহি ৮ দিনৰ মূৰত দুলীয়াজানৰ মধুটিঙৰ বাসগৃহত আহি উপস্থিত হয় ছাত্ৰনেতাজন। বাসগৃহত আহি উপস্থিত হোৱাৰ লগে লগে তেওঁক অসংখ্যা সমৰ্থক, অনুৰাগী আৰু ওচৰ-চুবুৰীয়াসকলে উষ্ম আদৰণি জনায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাঞ্জা খেলুৱৈ জিমিৰ আত্মহনন!

ঘটনাই শিৱসাগৰ জিলাত সকলোকে হতচকিত কৰি তুলিছে। কালি সন্ধিয়া এইজন ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা খেলুৱৈ জিমি দাসে বিহ পান কৰাৰ পিছত নিশা প্ৰায় ১০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। খেলুৱৈজনৰ আত্মহত্যা কৰা ঘটনাই সমগ্ৰ জিলাখনতেই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰথমে বিয়লি দিচাংমুখ জেইল গাঁৱৰ ঘৰৰ সন্মুখৰ ৰাস্তাৰ কাষত পৰি আছিল জিমি দাস। লগে লগে স্থানীয় লোকে প্ৰত্যক্ষ কৰি পিতৃ-মাতৃক খবৰ দিয়ে। তেওঁলোকে জিমিক ৰাস্তাৰ পৰা দাঙি ঘৰলৈ অনাৰ সময়তে বিহ পান কৰাৰ কথা স্বীকাৰ কৰে। লগে লগে পিতৃ ৰাম দাস, মাতৃ অম্বিকা দাসে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ লৈ যায়। তাত জিমিক প্ৰাথমিক চিকিৎসা প্ৰদান কৰে যদিও সুস্থ হৈ নুঠাত ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসা লাভৰ আগেয়ে মৃত্যু হয় জিমিৰ। উল্লেখ্য যে বিগত বৰ্ষৰ জুলাই মাহত জিমি দাসক শিৱসাগৰ নগৰৰ মাজমজিয়াত অনা-অসমীয়া কেইজনমান ব্যৱসায়ীয়ে মাৰপিট কৰিছিল। এই ঘটনাৰ পিছত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হোৱাৰ উপৰি ৩০ টাকৈ জাতি-জনগোষ্ঠীয় সংগঠনে উজনি অসমৰ বহিৰাগত বণিয়া গোষ্ঠীৰ বিৰুদ্ধে আন্দোলনত নামি পৰিছিল। এই আন্দোলনখনক মীমাংসালৈ আনিবলৈ ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীক আন্দোলনকাৰীৰ সৈতে আলোচনাত বহি এক সমাধান সূত্ৰ উলিয়াবলৈ নিয়োগ কৰিছিল। পৰৱৰ্তী সময়ত এই ৪-৫ জনীয়া ব্যৱসায়িক চক্ৰটোৰ হৈ শিৱসাগৰত মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যক্তিয়ে অসমীয়া সমাজখনৰ আগত আঁঠু লৈ সেৱা কৰি ক্ষমা বিচাৰিছিল। সেই ঘটনাপ্ৰবাহৰ বাবেই চৰ্চিত হৈ পৰিছিল জিমি দাসৰ নাম। কালি নিজ গৃহতে বিষাক্ত দ্ৰব্য সেৱন কৰি আত্মহনন কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে এই আত্মহনন ঘটনাৰ সৈতে নাম সাঙোৰ খাই পৰিছে মেজিক চালক তথা দুই সন্তানৰ পিতৃ অবিনাশ দাস নামৰ এজন যুৱকৰ নাম। ইতিমধ্যে দিচাংমুখ আৰক্ষীয়ে অবিনাশক গ্ৰেপ্তাৰ কৰিছে। গ'ল্ড মেডেলিষ্ট জিমি দাসৰ আত্মহত্যা সন্দৰ্ভত মাতৃ অম্বিকা দাস আৰু খুৰীয়েকে সংবাদ মাধ্যমৰ আগত দিয়া ভাষ্য অনুসৰি কালি আবেলি প্ৰায় ৪.৩০ বজাত জিমিয়ে মাকক চানা খাম বুলি খাটনি ধৰে। ওচৰৰ দোকানৰ পৰা মাকক চানা আনি দিবলৈ জোৰ-জুলুম কৰাত মাকে অৱশেষত জিমিৰ বাবে ওচৰৰ দোকান এখনলৈ চানা আনিবলৈ যায়। চানা আনি কন্যা জিমিক ঘৰত বিচাৰে যদিও ঘৰত নাপাই ওচৰে-পাঁজৰত বিচাৰ-খোঁচাৰ কৰে। কিন্তু কিছু সময়ৰ পিছত ওচৰৰ মানুহ এঘৰৰ পৰা কণমানি দুটামানে দৌৰি আহি তেওঁক জনায় যে জিমি মূৰ ঘূৰাই ৰাস্তাত পৰি গৈছে। মাকে দৌৰাদৌৰিকৈ ওচৰৰ মানুহ ঘৰলৈ আহি দেখে যে জিমিয়ে বমি কৰি আছে। মাকে কি হৈছে বুলি জিমিক সোধাত তাই কয় যে মই পইজন খালো। এই কথা শুনি মাক দিশহাৰা হৈ পৰে। ততালিকে পৰিয়ালৰ লোকে ১০৮ এম্বুলেন্সৰ সৈতে যোগাযোগ কৰে যদিও দুঘন্টামান অতিক্ৰম কৰাৰ পিছতো ১০৮ এম্বুলেন্স আহি নোপোৱাত উপায়ান্তৰ হৈ এখন যাত্ৰীবাহী মেজিক বাহনত পলমকৈ জিমিক লৈ আনে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ। ইয়াত চিকিৎসকে প্ৰাথমিক চিকিৎসা কৰিয়েই ততালিকে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ জিমিক লৈ যাবলৈ পৰামৰ্শ দিয়ে। লগে লগে জিমিক লৈ যোৱা হয় ডিব্ৰুগড়লৈ। যাত্ৰাপথত জিমিৰ অক্সিজেন হ্ৰাস পোৱাত মৰাণৰ এখন ব্যক্তিগত নাৰ্চিংহোমত জিমিক অক্সিজেন দিবলগীয়া হয়। ইয়াৰ পিছত ডিব্ৰুগড় গৈ পোৱাত চিকিৎসকে জিমিক প্ৰাথমিক চিকিৎসা কৰাৰ কিছু সময়ৰ পিছত নিশা প্ৰায় ১২.৩০ বজাত জিমিৰ মৃত্যু হয় বুলি মাতৃয়ে প্ৰকাশ কৰে। ইয়াৰ লগতে মাকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে মৃত্যুৰ পূৰ্বে জিমিয়ে আত্মহত্যাৰ পথ বাছি লোৱাৰ মূল কাৰণ অবিনাশ দাস ওৰফে ড'ন বুলি প্ৰকাশ কৰি গৈছে। পেছাত এজন গাড়ীচালক অবিনাশৰ সৈতে জিমিৰ প্ৰেমৰ সম্পৰ্ক আছিল। কিন্তু শেষত জিমিক অবিনাশে বিয়া নাপাতো বুলি কোৱাত জিমিয়ে আত্মহত্যাৰ পথ বাছি লয় বুলি মাকক জনায়। মৃত্যুৰ সময়ত জিমিয়ে পিন্ধি থকা কাপোৰৰ জেপত ৯৩৬৫৮-৮০৪৫৯ আৰু ৮০৯৯৬-৭৯৬০৭ দুটা ফোন নম্বৰ পৰিয়ালৰ লোকে লাভ কৰিছে। এই সমস্ত ঘটনা সন্দৰ্ভত জিমিৰ পৰিয়ালে দিচাংমুখ আৰক্ষী চকীত অবিনাশ দাসৰ বিৰুদ্ধে এজাৰৰ দাখিল কৰাত ইতিমধ্যে দিচাংমুখ আৰক্ষীয়ে অবিনাশ দাসক গ্ৰেপ্তাৰ কৰিছে। দুটা সন্তানৰ পিতৃ এই মহা ধুৰন্ধৰ অবিনাশে দীৰ্ঘ সময় ধৰি এইগৰাকী জিমিক বিয়া কৰোৱাৰ প্ৰলোভন দি প্ৰতাৰণা কৰি আহিছিল। মদ-ভাঙৰ নিচাত মাতাল হৈ থকা অবিনাশক কঠোৰ শাস্তি বিহিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে। উল্লেখ্য যে এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা খেলুৱৈ হোৱাৰ লগতে জিমিয়ে মেকানিকেল বিষয়ত আন এক ডিগ্ৰী লৈছিল। আনহাতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত স্নাতক বৰ্ষৰ শিক্ষা গ্ৰহণ কৰিবলৈ কেইদিনমানৰ আগত জিমিয়ে অনলাইনত ফৰ্ম দাখিল কৰিছিল। এনেদৰে হঠাৎ জিমিয়ে আত্মহত্যাৰ পথ বাছি লোৱাত পৰিয়ালৰ লোকে শোকত ভাগি পৰিছে। আনহাতে অভিযুক্ত অবিনাশক আৰক্ষীয়ে জেৰা চলাই থকাৰ সময়তে সন্ধিয়া ৭ বজাত জিমি দাসৰ মৃতদেহ জেইলগাঁৱৰ বাসগৃহ পোৱাৰ লগে লগে আত্মীয়-স্বজনৰ মাজত কান্দোনৰ ৰোল উঠে। লগতে স্থানীয় একাংশ লোকে অবিনাশ দাসৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। লক্ষণীয় যে আজি বিয়লি জিমি দাসৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা অসম চিকিৎসা মহাবিদ্যালয়ত কৰা হয়। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত কি তথ্য পোহৰলৈ আহিব সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ ৰাইজে গৌৰৱকে বিচাৰে নেতা

এমাহ বাকী থকা সময়তে এপিচিচিৰ সভাপতিৰ আসনৰ পৰা গাদীচ্যুত হ'ল ভূপেন বৰা। তাৰ পৰিবৰ্তে প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি হিচাপে নিযুক্তি লাভ কৰিলে যোৰহাট সমষ্টিৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-নেতা গৌৰৱ গগৈ। সোমবাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ শীৰ্ষ নেতৃত্বই গৌৰৱৰ হাতত অৰ্পণ কৰে প্ৰদেশ কংগ্ৰেছৰ বাঘজৰী। একে সময়তে জাকিৰ হুছেইন শিকদাৰ, ৰ'জলীনা তিৰ্কী আৰু প্ৰদীপ সৰকাৰক দিয়া হৈছে কাৰ্যকৰী সভাপতিৰ দায়িত্ব। ইফালে, দিল্লীৰ নেতৃত্বই গৌৰৱ গগৈক নতুন সভাপতি নিযুক্তি দিয়াৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ পৰে শীৰ্ষ কংগ্ৰেছ নেতা কেচি বেণুগোপাল। সংবাদ সংস্থা এএনআইৰ আগত বেণুগোপালে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে যি বিচাৰে ক'ব পাৰে, কিন্তু অসমৰ ৰাইজে গৌৰৱ গগৈক নেতা হিচাপে বিচাৰে। তেওঁ আৰু অভিযোগ কৰি কয়, "যোৱাবাৰো হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈক পৰাস্ত কৰিবলৈ নিজৰ সকলো সম্পদ নিয়োগ কৰিছিল। গৌৰৱ গগৈক যোৰহাটত পৰাস্ত কৰিবলৈ সকলো অস্ত্ৰই প্ৰয়োগ কৰিছিল, কিন্তু তাৰ পিছতো ৰাইজে তেওঁক বিপুল সংখ্যাগৰিষ্ঠতাৰে নিৰ্বাচিত কৰে। বেণুগোপালৰ মতে গৌৰৱ গগৈৰ নেতৃত্বত এ পি চি চিয়ে অসমৰ বাবে সামূহিকভাৱে কাম কৰিব। অন্যহাতে, নতুন দায়িত্ব লাভ কৰাৰ পিছতে গৌৰৱ গগৈয়ে 'এক্স'ত পৰিয়াল আৰু কংগ্ৰেছৰ শীৰ্ষ নেতাসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, কে চি বেণুগোপাল আৰু জিতেন্দ্ৰ সিং আলৱাৰক এই দায়িত্ব অৰ্পণ কৰাৰ বাবে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। লগতে এ পি চি চিৰ বিদায়ী সভাপতি ভূপেন কুমাৰ বৰাৰ অসাধাৰণ অৱদানৰ প্ৰশংসা কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সঁচা! বিমানত মুখ্যমন্ত্ৰীয়ে কৰিছিল সেই

গুৱাহাটী, ২৭ মে': অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতৃত্বৰ পৰিৱৰ্তনৰ লগে লগে গাদীচ্যুত হ'ল ভূপেন বৰাৰ। প্ৰায় চাৰিটা বছৰ ধৰি এপিচিচিৰ সভাপতি হিচাপে কংগ্ৰেছক সন্মুখৰ পৰা নেতৃত্ব দি অৱশেষত গৌৰৱ গগৈৰ হাতত তেওঁ গতাই দিলে বাঘজৰী। ইয়াৰ পিছতে আজি ঘোৰামাৰাৰ নিজ বাসগৃহত এক সংবাদমেল সম্বোধন কৰি গৌৰৱ গগৈক অভিনন্দন জনোৱাৰ লগতে দলৰ সিদ্ধান্তৰ প্ৰতি অনুগত্য ব্যক্ত কৰে সদ্যপ্ৰাক্তন সভাপতি ভূপেন বৰাই। একে সময়তে তেওঁ আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিৰোধীৰ মিত্ৰতাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। আজিৰ সংবাদমেলত ভূপেন বৰাই গৌৰৱ গগৈক অভিনন্দন জ্ঞাপন কৰি কয় যে তেওঁ এগৰাকী দক্ষ নেতা। গৌৰৱ গগৈৰ নেতৃত্বত দলে অধিক গতি লাভ কৰিব বুলিও তেওঁ আশা ব্যক্ত কৰে। একে সময়তে, যি সময়ত তেওঁ এপিচিচিৰ সভাপতি নিযুক্ত হৈছিল, সেই সময়ত ১৭ খন জিলা আৰু ৬৪টা ব্লকত সভাপতিয়েই নাছিল বুলি মন্তব্য কৰি ভূপেন বৰাই কয় যে সেই পৰ্যায়ৰ পৰা দলৰ নেতৃত্ব দি তেওঁ কংগ্ৰেছক আজিৰ পৰ্যায়ত উপনীত কৰাইছে। এটা সময়ত ৰাজীৱ ভৱন নিমাওমাও বুলি সংবাদ মাধ্যমেই বাতৰি পৰিৱেশন কৰিছিল বুলিও মন্তব্য কৰে বৰাই। বিগত চাৰি বছৰ ধৰি তেওঁক সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰাৰ বাবে দলৰ নেতৃত্বৰ প্ৰতিও কৃতজ্ঞতা ব্যক্ত কৰে তেওঁ। লক্ষ্যণীয় যে, কালি গৌৰৱ গগৈক এপিপিচিৰ সভাপতি নিযুক্তি দিয়াৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে সভাপতি পদৰ পৰা অপসাৰণ সম্পৰ্কে কিছু মাহ পূৰ্বেই ভূপেন বৰাক কৈছিল তেওঁ। মুখ্যমন্ত্ৰীয়ে কৈছিল, "কেইমাহমান পূৰ্বে দিলীপ শইকীয়া, মই আৰু ভূপেন বৰা একেলগে দিল্লীৰ পৰা গুৱাহাটীলৈ একেখন ফ্লাইটত আহিছিলো। দিলীপ শইকীয়া সাক্ষী আছিল। তেতিয়াই মই ভূপেন বৰাক কৈছিলো- তোমাক এপ্ৰিল মে' মাহত ভাঙি দিব। আজি অলপ আগত দিলীপ শইকীয়াই ফোন কৰিছে যে দাদা আপুনি কেনেকৈ গম পালে?" ড০ শৰ্মাই আৰু কয়, "তেওঁলোকে যেতিয়া দলটো ভাঙি যায়, তেতিয়া আপোনাৰ, মোৰ দৰে সাধাৰণ ঘৰৰ মানুহক ব্যৱহাৰ কৰিব। যেতিয়া ইলেকচন আহে, টিকট দিয়াৰ সময় হয়, প্ৰাৰ্থীৰ ঘৰত অহা-যোৱা আৰম্ভ হয় সেই সময়ত তেওঁলোকে এই নীলা তেজৰ মানুহক লগত লয়।" ইফালে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ এই ভাষ্যৰ আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে প্ৰদেশ কংগ্ৰেছৰ সদ্য প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই। তেওঁ সংবাদ মাধ্যমৰ আগত কয়, মুখ্যমন্ত্ৰীক মই লগ পোৱাৰ কথাটো সঁচা। তেওঁ কয়, "মুখ্যমন্ত্ৰীক মই উৰা জাহাজত দিল্লীৰ পৰা আঁহোতে লগ পোৱাটো সঁচা আৰু এইটো মই আগতেও আপোনালোকক সংবাদ মাধ্যমৰ আগত কৈছিলো। লখিমপুৰৰ মিটিং এখনত আৰু এ পি চি চিৰ মিডিয়া বিভাগৰ মিটিঙতো এই কথা 'কৈছিলো।'মুখ্যমন্ত্ৰীয়ে যিটো কথা মোক কৈছো বুলি কৈছিল সেই কথা ওলালে ক'ৰ পৰা? তেতিয়া তেখেতে মোক কৈছিল তোমাৰ এপ্ৰিল, মে' মাহত চকী খনেই নাথাকিব। তুমি মোক কেনেকৈ আঁতৰাবা?" মুখ্যমন্ত্ৰীৰ এনে মন্তব্যৰ প্ৰত্যুত্তৰ হিচাপে তেওঁ তেতিয়াই তেওঁক উভতি ধৰাৰ কথাও উল্লেখ কৰিছে। তেওঁ কয়, "তেতিয়া মই তেখেতক কৈছিলো যে, আপুনি কংগ্ৰেছৰ ভিতৰৰ খবৰ নাপায়। আপুনি মোক যিটো বাৰ্তা দিছে সেই বাৰ্তাৰ উৎস দুৰ্বল।" ইফালে আজি সংবাদমেলত আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচন সন্দৰ্ভত ভূপেন বৰাই নিজৰ কৌশলগত স্থিতিও স্পষ্ট কৰে। তেওঁ কয় যে, "অসমত বিজেপিক প্ৰতিহত কৰিবলৈ ভাৰতীয় জাতীয় কংগ্ৰেছে মিত্ৰতা গঠন কৰাটো অতি প্ৰয়োজনীয়।" তেওঁ ইংগিত দিয়ে যে বিজেপি বিৰোধী সকলো ৰাজনৈতিক দল, সংগঠন আৰু ব্যক্তিক এটা ছাতিৰ তললৈ অনাটো প্ৰয়োজনীয়, আনকি প্ৰয়োজন হ'লে কিছু আসনত ৰেহাই দিয়াৰ মানসিকতাও ৰখাটো প্ৰয়োজনীয়। এই মিত্ৰতাৰ জৰিয়তে ৰাজ্যৰ ক্ষমতাৰ পৰা বিজেপিক আঁতৰোৱা সম্ভৱ হ'ব বুলি দাবী কৰে বৰাই। দলীয় সূত্ৰৰ মতে, সভাপতি পদৰ পৰা অপসাৰণৰ কৰাৰ পাছতো কংগ্ৰেছৰ এক গুৰুত্বপূৰ্ণ অংশ নিৰ্বাচনী প্ৰচাৰ সমিতিৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে ভূপেন বৰাক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এক্স'ত শ্ৰদ্ধাঞ্জলি জনাই গুজৰাটৰ জনসভাত

মাধ্যমত নেহৰুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও। কিন্তু তাৰ পিছতে গুজৰাটত জনসভা সম্বোধন কৰি স্বভাৱসুলভ আচৰণেৰেই দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে সৰৱ হৈ পৰিল মোদী। পুৱা এক্স হেণ্ডেলত চমুকৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত গুজৰাটৰ গান্ধীনগৰত অনুষ্ঠিত জনসভাৰ পৰা নেহৰুৰ নীতিগত সিদ্ধান্তক লৈ কটাক্ষ বাণ এৰে মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে দাবী কৰে যে ভাৰতৰ স্বাৰ্থ বিবেচনা কৰি সিন্ধু জল চুক্তি অতি ভুলকৈ কাৰ্যকৰী কৰা হৈছিল। লগতে তেওঁ অভিযোগ কৰে যে ১৯৪৭ চনত কাশ্মীৰত প্ৰৱেশ কৰা মুজাহিদীনসকলক যদি তাৎক্ষণিকভাৱে নিৰ্মূল কৰা হ'লহেঁতেন তেন্তে বৰ্তমানৰ পৰিস্থিতিৰ সৃষ্টি নহ'লহেঁতেন। মন কৰিবলগীয়া যে বিশ্ব বেংকৰ মধ্যস্থতাত ১৯৫০ চনৰ ১৯ ছেপ্টেম্বৰত ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু জল চুক্তি স্বাক্ষৰিত হৈছিল। সেই সন্ধি অনুসৰি সিন্ধু নদীৰ পূবৰ তিনিখন উপনৈ— ব্যাস, শতদ্ৰু আৰু ইৰাৱতী ভাৰতৰ নিয়ন্ত্ৰণত আছে। আনহাতে, সিন্ধু নদীৰ জলসীমা আৰু ইয়াৰ দুই উপনৈ বিতস্তা আৰু চন্দ্ৰভাগাৰ ওপৰত পাকিস্তানৰ অধিকাৰ আছে। এই চুক্তিখন তেতিয়াৰ প্ৰধানমন্ত্ৰী নেহৰু আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানৰ মাজত স্বাক্ষৰিত হৈছিল। যদিও মোদীয়ে এই চুক্তিক "ভুল" বুলি অভিহিত কৰিছে, তথাপি সেয়া কেনেধৰণৰ ভুল আছিল সেই সন্দৰ্ভত তেওঁ উল্লেখ নকৰিলে। ইফালে, শেহতীয়া ভাৰত-পাকিস্তান সংঘাত সন্দৰ্ভত গান্ধীনগৰত অনুষ্ঠিত এক সমাৰেশত ভাষণ দি মোদীয়ে কয় যে 'অপাৰেচন সেন্দূৰ'-এ মাত্ৰ ২২ মিনিটতে পাকিস্তানৰ ৯ টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰি পেলাইছে। বিৰোধীক কটাক্ষ কৰি তেওঁ দাবী কৰে যে এই অভিযান কেমেৰাৰ সন্মুখত কৰা হৈছে যাতে কোনেও ঘটনাৰ সত্যতাক লৈ প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে। তাৰ পিছত নেহৰুৰ নাম নোলোৱাকৈয়ে মোদীয়ে কয় যে স্বাধীনতাৰ পিছত যদি চৰ্দাৰ বল্লভ ভাই পেটেলৰ কথা শুনা গ'লহেঁতেন তেন্তে পাকিস্তানে দখল কৰা কাশ্মীৰৰ সন্ত্ৰাসবাদীক আগতেই নিৰ্মূল কৰিব পৰা গ'লহেঁতেন আৰু আজি পি অ' কে ভাৰতৰ অংগ হ'লহেঁতেন। ফলত দশক দশক ধৰি চলি থকা বৰ্তমানৰ পৰিস্থিতিৰ সৃষ্টি নহ'লহেঁতেন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোচৰ ৰুজু ডিম্পুৰ বিৰুদ্ধে

ৰুজু কৰিছে সদৌ অসম গোসাঁই সমাজে। সমাজত অশ্লীল বাৰ্তা প্ৰেৰণ কৰাৰ অভিযোগত গুৱাহাটী মহানগৰীৰ দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ডিম্পু বৰুৱা জড়িত থকা এটা গীতত ব্যাপক অশ্লীলতা প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন হৈছিল। গীতটোৰ প্ৰচাৰ হোৱাৰ পিছতে তথাকথিত ইউটিউবাৰ ডিম্পু বৰুৱা বিপদত পৰে। ইউটিউবাৰ ডিম্পু বৰুৱাৰ বিৰুদ্ধে সদৌ অসম গোসাঁই সমাজে অনলাইনযোগে এজাহাৰ দাখিল কৰিছে। দিছপুৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু কৰা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ডিম্পু বৰুৰ জড়িত এটি অসমীয়া গীতত অশ্লীল আৰু অপমানজনক শব্দ ব্যৱহাৰ কৰা হৈছিল। যাৰ বাবে এজাহাৰ দাখিল কৰা বুলিসদৌ অসম গোসাঁই সমাজে এজাহাৰত উল্লেখ কৰিছে। এই গীতত ব্যৱহৃত ভাষা অত্যন্ত অশ্লীল। অশ্লীল শব্দ প্ৰয়োগ কৰি অসমীয়া সংস্কৃতিৰ অপমান কৰা হৈছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

## শ্ৰমিক নেতাজনৰ সতীৰ্থক কলকাতা কাৰ্যালয়লৈ তলব

# গংগাৰাম ক'ল হত্যাকাণ্ডৰ তদন্তৰ বাবে তিনিচুকীয়াত চিবিআই

**ই-সংবাদ, ২৭ মে':** সুদীৰ্ঘ ১২ বছৰ পূৰ্বে সংঘটিত ৰাজ্য কঁপাই যোৱা শ্ৰমিক নেতা গংগাৰাম ক'লৰ নৃশংস হত্যাকাণ্ডৰ তদন্তৰ বাবে তিনিচুকীয়াত বাহৰ পাতিছে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চিবিআইৰ এটা চাৰিজনীয়া দলে। তিনিচুকীয়াৰ আৱৰ্ত ভৱনত বাহৰ পতা চিবিআইৰ দলটোৱে গংগাৰাম ক'লৰ হত্যাকাণ্ড সংঘটিত হোৱা ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে এই সন্দৰ্ভত একাধিক ব্যক্তিক সোধা- শেষাংশ ১১ পৃষ্ঠাত



ওদালগুৰিত বিজেপিৰ কাৰ্যকৰ্তা সভা আৰু যোগদান কাৰ্যসূচীত ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ফটোঃ সংগ্ৰহ

# নগাঁৱৰ ডিমৌত ভয়ংকৰ দুৰ্ঘটনা

## নিহত অৱসৰী অধ্যক্ষ

**ই-সংবাদ, বেবেজীয়া, ২৭ মে':** নগাঁও জিলাৰ বেবেজীয়াৰ ভোগেশ্বৰ হাজৰিকা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তৰুণ দাস (৬৫) কালি নিশা এক পথ দুৰ্ঘটনাত নিহত হয় । জানিব পৰা মতে, নিশা ৮ মান বজাত নিজৰ স্কুটিৰে বেবেজীয়াৰ পৰা ডিমৌ চাৰিআলি অভিমুখে গৈ থকা দাসক এখন টাটা মেজিক গাড়ীয়ে শেষাংশ ৯ পৃষ্ঠাত

# ওদালগুৰিত বিজেপিৰ কাৰ্যকৰ্তা সভা আৰু যোগদান কাৰ্যসূচী

**ই-সংবাদ, ওদালগুৰি, ২৭ মে':** "কেৱল ওদালগুৰিৰ দহটা পৰিষদীয় সমষ্টিতেই নহয়, বিটিআৰৰ ৪০ টা সমষ্টিতেই আমি নিৰ্বাচন খেলিম।" এই ভাষ্য দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ। আজি ওদালগুৰি চহৰৰ বিষ্ণু ৰাভা কৃষ্টি সংঘ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিজেপিৰ সক্ৰিয় কাৰ্যকৰ্তা ১১ পৃষ্ঠাত

# ওদালগুৰিত অৰুণোদয় হিতাধিকাৰী নিৰ্বাচনৰ নিৰীক্ষণ সমিতিৰ বৈঠকত মন্ত্ৰী পীযুষ

**ই-সংবাদ, ২৭ মে':** ওদালগুৰি জিলাত দুদিনীয়া ভ্ৰমনৰ দ্বিতীয় দিনা, জিলাখনৰ অভিভাৱক মন্ত্ৰীৰূপে অৰুণোদয় ৩.০ৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত সমিতিৰ সদস্যসকলৰ সৈতে আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই এক বৈঠকত অংশ লয়। অসম চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয় ৩.০ৰ সফল ৰূপায়ণৰ বাবে প্ৰত্যেক জিলাত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি ৯ পৃষ্ঠাত চাওক



# কামৰূপৰ বংশৰত পথ নিৰ্মাণকাৰী সংস্থা এলএণ্ডটিৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, ২৭ মে' :** কামৰূপৰ বংশৰ বেদান্তপুৰত ব্ৰহ্মপুত্ৰৰ নৱনিৰ্মিত শুৱালকুছি-পলাশবাৰী সংযোগী দলং নিৰ্মাণকাৰী সংস্থা এল এণ্ড টিয়ে নিজ মইমতালিত এটা ঠেক সাধাৰণ পথৰেই দৈনিক শ শ গধুৰ যানবাহন চলাচলত কৰি অহাত শেষাংশ ১১ পৃষ্ঠাত

# মন্ত্ৰী কৌশিক ৰায়ৰ কাটিগড় আৰু শিলচৰ ভ্ৰমণ

**ই-সংবাদ, ২৭ মে':** অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, খনিজ আৰু খনিজ সম্পদ মন্ত্ৰী আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে মঙলবাৰে ঐতিহাসিক আৰু ব্যস্ততাৰে কাটিগড় আৰু শিলচৰ শেষাংশ ১২ পৃষ্ঠাত

# নগাঁও জিলা সত্ৰ মহাসভাৰ দণ্ড সেৱা সমাপন

**ই-সংবাদ, পুৰণিগুদাম, ২৭ মে':** নগাঁও জিলা সত্ৰ মহাসভাই দুদিনীয়া কাৰ্যসূচীৰে নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থৰ সহযোগত ফৌজদাৰীপট্টিস্থিত শ্ৰীমন্ত গোপালদেৱ মন্দিৰত ১৭ সংখ্যক দণ্ড সেৱা (পালনাম) ভাগ পালন কৰে। কাৰ্যসূচী অনুযায়ী ২৪ মে'ৰ পুৱা শেষাংশ ৯ পৃষ্ঠাত

# শিক্ষাবিদ, সাহিত্যিক সুশীল বৰাৰ স্মৃতিচাৰণ সভা

**ই-সংবাদ, বেবেজীয়া, ২৭ মে':** 'সুশীল বৰাই বস্তুনিষ্ঠভাৱে ঐতিহাসিক বাস্তৱৰ অনুসন্ধান কৰিছিল। তেওঁ কেৱল এজন লেখক নাছিল। তেওঁ ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ ৰক্ষক আছিল। কলমৰ যোগেদি তেওঁ আমাৰ ভূমি, শেষাংশ ১২ পৃষ্ঠাত

# এখন গামোচাৰ দাম ১ লাখ টকা! দৰঙত বিক্ৰী হ'ল গামোচাখন

## বনিয়াপাৰা শিৱ মন্দিৰৰ এখন ফুলাম গামোচাৰ দাম ১ লাখ টকা

**ই-সংবাদ, দুনী, ২৭ মে':** দৰং জিলাৰ নিজড়াঁহী বনিয়াপাৰা শিৱ মন্দিৰত এখন ফুলাম গামোচা ১ লাখ টকাত নিলামৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিজডাহী শিৱ মন্দিৰত সম্পন্ন এই নিলামযোগে সংগৃহীত ধনৰাশি মন্দিৰৰ মেৰামতিকে ধৰি শুভ কামত ব্যৱহাৰ কৰিব বুলি প্ৰকাশ। লক্ষণীয় যে নিজডাঁহী বণিয়াপাৰা শিৱ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত বাৰ্ষিক শ্ৰীবিষ্ণুহোম যজ্ঞানুষ্ঠান তথা ২ দিনীয়া কাৰ্যসূচীৰে জেঠমহীয়া সবাহৰ আয়োজন কৰা সমাজসেৱিকা হৈছিল। দৰঙকে ধৰি নামনি অসমৰ অধিকাংশ ৰাজহুৱা মন্দিৰত অপায়-অমংগল দূৰ কৰাৰ লগতে প্ৰাকৃতিক দুৰ্যোগ, বসন্তৰোগ আদি ভিন্ন অনাকাংক্ষিত দুৰ্যোগ বতৰ সলনিৰ লগে লগে নাশ কৰাৰ বাবে সবাহৰ আয়োজন কৰি অহা শেষাংশ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৪ সন্দেহযুক্ত লোকক এৰি দিলে ন' মেনছ

অভিযোগে তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। তাৰ লগতে বাংলাদেশৰ পিনৰ পৰা অবৈধ প্ৰৱেশৰ চেষ্টা কৰাত ভাৰতৰ পক্ষৰ পৰা বিএছএফে গুলীচালনা পৰ্যন্ত কৰিবলগীয়া হয়। ফলত সীমান্তত তীব্ৰ উত্তেজনা অব্যাহত আছে। আজি পুৱতি নিশা ১৪ জন লোকক সীমান্তৱৰ্তী বাংলাদেশৰ কুৰিগ্ৰাম জিলাৰ ন' মেন'ছ লেণ্ডত ভাৰতীয় কৰ্তৃপক্ষই মুকলি কৰাৰ অভিযোগ উঠিছে। ভাৰতৰ পৰা এৰি অহা ১৪ জন লোকৰ ভিতৰত ৫ গৰাকী মহিলা আছে। বাংলাদেশৰ সাংবাদিকসহ কেইবাজনো লোকে কেইবাটাও ভিডিঅ' যোগে ভাৰতৰ পৰা ১৪ জন লোকক বাংলাদেশৰ ভূমিত মুকলি কৰি অহা বুলি দাবী কৰিছে। ভিডিঅ'সমূহক লৈ বাংলাদেশ চৰকাৰৰ পক্ষৰ দ্বাৰা আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা নাই। আনহাতে, ভাৰত চৰকাৰ তথা দক্ষিণ শালমাৰা মানকাচৰৰ জিলা প্ৰশাসনে আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। কিন্তু অনুপ্ৰৱেশ ৰোধ বিফল কৰাৰ কথা উল্লেখ কৰা হৈছে। বাংলাদেশৰ বিভিন্ন লোকে সামাজিক মাধ্যম যোগে ভাৰতৰ ফালৰ পৰা উভতাই পঠোৱা ১৪ জন লোকক ন' মেন'ছ লেণ্ডত এৰি থৈ আহিছে। ১৪ জন লোকক বাংলাদেশৰ নাগৰিক আৰু বাংলাদেশৰ ব'ৰ্ডাৰ গাৰ্ডে আবদ্ধ কৰি ৰখা বুলি জানিব পৰা গৈছে। ইতিমধ্যে সীমান্তত দুয়ো দেশৰ উচ্চ পদস্থ বিষয়া উপস্থিত হৈছে। ইপিনে ১৪ জন লোকৰ মাজত এজন লোকে ডিঙিত ফুলাম গামোচা লৈ থকা দেখা গৈছে। ডিঙিত অসমীয়া গামোচা লৈ থকাজন অবৈধ বাংলাদেশী খাইৰুল ইছলাম বুলি জানিব পৰা গৈছে। খাইৰুল ইছলামৰ ঘৰ মৰিগাঁও জিলাৰ মিকিৰভেটাত। খাইৰুল ইছলামক ২৩ মে'ত সীমান্ত আৰক্ষীয়ে ঘৰৰ পৰা উঠাই আনিছিল। খাইৰুল ইছলামৰ এটা ভিডিঅ' ভাইৰেল হৈছে। ভাইৰেল ভিডিঅ'টোত খাইৰুল ইছলামক বাংলাত কিছুমান লোকে কথা সুধি থকা শুনা গৈছে। কেমেৰাৰ সন্মুখত তেওঁ কয় যে মোৰ নাম খাইৰুল ইছলাম। মই এজন প্ৰাইমাৰী স্কুলৰ শিক্ষক। মোৰ ৰাজ্য হৈছে ভাৰতৰ অসম। মোৰ থানা হৈছে মিকিৰভেটা, ডাক-মিকিৰভেটা, জিলা মৰিগাঁও, অসম। মোৰ স্কুলৰ নাম হৈছে থেঙচালি খান্দাপুখুৰী প্ৰাইমাৰী স্কুল। আমাৰ আদিপুৰুষ ভাৰতৰ। ভাৰতত আমাৰ বাৰী-ঘৰ আছে। মাটি-বাৰী আছে। মোৰ মা ৱাৰ্ড মেম্বাৰত জয়ী হৈছে। ভাই মোৰ ৱাৰ্ড মেম্বাৰত জয়ী হৈছে। মোৰ সকলো নথি-পত্ৰ আছে। কিন্তু ডিটেনচন কেম্পৰ পৰা নথি-পত্ৰ আনিব দিয়া নাই। ২৩ মে'ত মোক আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ লৈ আহিছে। তাৰ পৰা গোৱালপাৰাৰ ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰিলে। কালি ৰাতি ডিটেনচন কেম্পৰ পৰা সীমান্তৰ গেটলৈ লৈ আহিছে। আমাৰ হাতত বান্ধি মুঠ ১৪ জন লোকক ইয়াত বিএছএফে এৰি থৈ যায়। খাইৰুল ইছলামক পুনৰ প্ৰশ্ন কৰিছিল যে আপোনাৰ ঘৰ সীমান্তৰ ওচৰত নেকি, আপোনাক ক'ৰ পৰা গ্ৰেপ্তাৰ কৰিছে। তাৰ উত্তৰ দি খাইৰুল ইছলামে কয় যে সীমান্তৰ পৰা বহু দূৰত মোৰ ঘৰ। মোক ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰিছে। তাৰ পিছতে খাইৰুল ইছলামক প্ৰশ্ন কৰিছে যে আপোনালোক কেতিয়াৰ পৰা ভাৰতত বসবাস কৰিছে। তেতিয়া খাইৰুল ইছলামে উত্তৰ দি কয় যে ভাৰত স্বাধীন হোৱাৰ আগৰে পৰা মোৰ মা-দেউতাই তাত বসবাস কৰে। আপোনাক কি বুলি কৈ ইয়াত নমাই থৈ গ'ল বুলি প্ৰশ্ন কৰাত খাইৰুল ইছমালে কয় যে বন্দুকৰ ভয়ত মই একো কোৱা নাই। মোৰ সকলো নথি, লগত থকা ৮ হাজাৰ টকা ৰাখি থৈছে। খাইৰুলে ইছলামে লগতে কয় যে মই অসম আৰক্ষীক কৈছিলো যে মই এজন শিক্ষক। মোক সন্মান দিয়ক। কিন্তু মোৰ হাত বান্ধে, যেন মই চোৰ, এখন বাছত বহুৱাই লৈ আহি প্ৰায় পুৱা ৪ বজাত মই ইয়াত থৈ যায়। অসমত শিক্ষকতা কৰা বাংলাদেশী খাইৰুল ইছলামৰ বয়স হৈছে ৫১ বছৰ। অসমত শিক্ষকতা কৰা খাইৰুল ইছলাম বৰ্তমান ন' মেন'ছ লেণ্ডত। জানিব পৰা মতে, বাংলাদেশৰ সাংবাদিক মোস্তাফিজ্জাৰে ফেচবুকত প্ৰকাশ কৰা এটা ভিডিঅ'ত ১৪ জন লোকক ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনীয়ে (বিএছএফে) বাংলাদেশলৈ পঠিয়াইছে। ন' মেন'ছ লেণ্ড অঞ্চলত ১৪ জন লোক বন্দী হৈ থকা বুলি জানিবলৈ দিয়ে। খাইৰুল ইছলামসহ বাকী লোকসকল থকা ঠাইখিনি বাংলাদেশৰ কুৰিগ্ৰাম জিলাৰ খেতিপথাৰ। কুৰিগ্ৰাম জিলা আৰক্ষী অধীক্ষক মহম্মদ মাহফুজুৰ ৰহমানে সেই স্থান কুৰিগ্ৰাম জিলাৰ বুলি নিশ্চিত কৰিছে। উল্লেখ্য যে খাইৰুল ইছলামে ২০২৩ চনৰ ডিচেম্বৰলৈকে থেঙচালি খান্দাপুখুৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষক আছিল। তেওঁক ২০১৬ চনত এটা বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰিছিল। ২০১৮ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ে এই নিৰ্ণয় বাহাল ৰাখিছিল। তাৰ পিছত খাইৰুলক মাটিয়া ডিটেনচন কেন্দ্ৰলৈ লৈ যোৱা হৈছিল, য'ত তেওঁ প্ৰায় দুবছৰ কটাইছিল। ২০২০ চনৰ আগষ্টত জামিনত মুক্তি লাভ কৰিছিল। আদালতত তেওঁৰ আবেদন এতিয়াও বিচাৰাধীন। শেহতীয়াকৈ ২৩ মে'ত পুনৰ খান্দাপুখুৰীৰ পৰা ধৰা হৈছিল আৰু আন ১৩ জন বিদেশী ঘোষণা কৰা ব্যক্তিসহ মাটিয়া ডিটেনচন কেন্দ্ৰলৈ লৈ গৈছিল। সোমবাৰে নিশা প্ৰায় ৩ বজাত মোক জোৰ কৰি মাটিয়া ডিটেনচন কেন্দ্ৰৰ পৰা লৈ গৈছিল। মই যাব নোখোজাত মোক বেয়াকৈ প্ৰহাৰ কৰিছিল। মাটিয়া ডিটেনচন কেন্দ্ৰৰ এজন কৰ্মচাৰীয়ে নাম প্ৰকাশ নকৰাৰ চৰ্তত এটা ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানক কয় যে কেইবাজনো লোকক কাপোৰ বান্ধি তিনিখন বাছত বহুৱাই লৈ গৈছিল। সীমান্ত আৰক্ষী আৰু কেন্দ্ৰীয় বাহিনী আহিছিল। আজি বাংলাদেশৰ পৰা ভাইৰেল হোৱা ভিডিঅ' লাভ কৰি খাইৰুল ইছলামৰ পত্নী ৰীতা খানমে কান্দি কান্দি কয় যে আদালতত বিচাৰাধীন গোচৰত এনে কৰিব পাৰে নেকি? ১০ মে'ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে মাটিয়া ডিটেনচন কেন্দ্ৰৰ কেইবাজনো বন্দী ৰোহিংগীয়া শৰণাৰ্থী আৰু বাংলাদেশৰ অবৈধ অনুপ্ৰবেশকাৰী। দেশজুৰি অভিযানৰ অংশ হিচাপে বাংলাদেশলৈ 'পুছ বেক' কৰা হ'ব। বাংলাদেশৰ বাতৰি প্ৰতিষ্ঠান জগৌ নিউজে প্ৰকাশ কৰা বাতৰি অনুসৰি সীমান্তৰ কুৰিগ্ৰাম জিলাৰ বংলাইবাৰী অংশত ভাৰতীয় বাহিনীয়ে মানুহক সোমাই থৈ যোৱাৰ চেষ্টা কৰিছিল। কিন্তু ব'ৰ্ডাৰ গাৰ্ড বাংলাদেশে তীব্ৰ বিৰোধ কৰিছিল। কুৰিগ্ৰাম জিলাৰ ৰৌমাৰী থানাৰ বিষয়া লুৎফৰে এটা ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানক কয় যে ২৭ মে'ৰ পুৱা ১৪ জন ভাৰতীয় নাগৰিকক ন' মেন'ছ লেণ্ডত উদ্ধাৰ কৰিছে। কিন্তু এতিয়ালৈকে ভাৰতৰ গৃহ মন্ত্ৰণালয়, অসমৰ গৃহ মন্ত্ৰালয়, সীমান্ত সুৰক্ষা বাহিনী, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান, নামনি অসম আৰক্ষীৰ মহাপৰিদৰ্শক, মানকাচৰৰ আৰক্ষী অধীক্ষক তথা ৰাজ্য প্ৰশাসনৰ মুৰব্বী মুখ্য সচিবে কোনো বিবৃতি জাৰি কৰা নাই। অৱশ্যে বিএছএফে এই লৈ বিপৰীত ভাষ্য দিয়াহে পৰিলক্ষিত হৈছে। এটা নিউজ চেনেলত প্ৰকাশিত বাতৰি মতে বিএছএফে ২৭ মে'ৰ পুৱা দক্ষিণ শালমাৰা-মনকাচৰ জিলাত বাংলাদেশী অনুপ্ৰবেশৰ চেষ্টা বিফল কৰাৰ কথাহে উল্লেখ কৰিছে।

# যোৰহাট জিলা ভিত্তি যোৰহাট লেখিকা সমাৰোহ সমিতিৰ একাংকিকা নাটক প্ৰতিযোগিতাত কৰঙা শাখা শ্ৰেষ্ঠ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৭ মে':** যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিয়ে পূব চাৰিগাঁও, গড়মূৰ শাখাৰ সহযোগত যোৰহাট জিলা ভিত্তিত একাংকিকা নাটক প্ৰতিযোগিতা ২৫ মে'ত অনুষ্ঠিত কৰে। বন্তি প্ৰজ্বলনে শুভাৰম্ভ কৰে লেখিকা বিনু বৰাই। উদ্বোধন কৰে বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰীতি বৰদলৈয়ে। জিলাৰ সভানেত্ৰী নীৰদা গগৈ বৰাই সঞ্চালনা কৰা প্ৰতিযোগিতাৰ আঁতধৰে সম্পাদিকা গায়ত্ৰী গগৈয়ে। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে কৰঙা শাখাই। দ্বিতীয় স্থান লাভ কৰে ৰজামৈদাম শাখাই। তৃতীয় স্থান লাভ কৰে যোৰহাট শাখাই। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে বৰভেটা শাখাই। কৰঙা শাখাৰ অনন্যা কলিতাই শ্ৰেষ্ঠ অভিনেত্ৰীৰ স্থান লাভ কৰিবলৈ সক্ষম হয়। পূব চাৰিগাঁও শাখাৰ সভানেত্ৰী ৰুণু দ'লবৰুৱা, সম্পাদিকা বিজয়া বৰুৱা, গড়মূৰ শাখাৰ সভানেত্ৰী ৰীণা মহন্ত, সম্পাদিকা দীপিকা দত্ত প্ৰমুখ্যে বিষয়ববীয়াসকলে কানাইলাল দাস, লিলি শইকীয়া, কুঞ্জ মহন্ত, সাবিত্ৰী বৰাৰ স্মৃতিত পৰিয়ালকেইটাৰ সহযোগত স্থানপ্ৰাপ্ত দল আৰু শ্ৰেষ্ঠ অভিনেত্ৰীক মান-পত্ৰসহ নগদ ধন প্ৰদান কৰে। ইয়াৰ জৰিয়তে নাট্য ক্ষেত্ৰখনত অঞ্চলটো আগবাঢ়ি যাব বুলি আশা কৰিছে ৰাইজে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিশপ্ত বাঘজান! দুঃসহ স্মৃতিৰে পালন

গৈছিল অঞ্চলটোৰ বহু পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি। মৃত্যু হৈছিল অসংখ্য জীৱ-জন্তু, পশু-পক্ষী, ৰাষ্ট্ৰীয় সম্পদ শিহুকে ধৰি দুষ্প্ৰাপ্য হলৌ বান্দৰ। মাগুৰি বিলৰ লগতে শিহু বিখ্যাত ডিব্ৰু-ডাঙৰী (লোহিত) নদীও সম্পূৰ্ণ প্ৰদূষণ হৈ পৰিছিল। যাৰ ফলত মৃত্যু হৈছিল বিভিন্ন প্ৰজাতিৰ মাছ-কাছ। বিনষ্ট হৈছিল অঞ্চলবাসীৰ শ শ বিঘা কৃষিভূমি। ঘটনাত অগ্নিনিৰ্বাপক বাহিনীৰ কৰ্মচাৰী ক্ৰমে তিক্ষেশ্বৰ গোহাঁই (চাবুৱা), দুৰ্লভ গগৈ (নামৰূপ), অইলৰ বিদ্যুৎ বিভাগৰ কাৰ্যবাহী (জ্যেষ্ঠ) অভিযন্তা অৰ্ণৱ কিশোৰ বৰদলৈ আৰু স্থানীয় ব্যক্তি শুক্লেশ্বৰ নেওগ, উমেশ প্ৰসাদকে ধৰি মুঠ পাঁচজনকৈ লোকৰ প্ৰাণ গৈছিল। এক কথাত মৃত্যু উপত্যকালৈ পৰিণত হৈছিল বাঘজান। তীব্ৰ শব্দ, কম্পন, বায়ু প্ৰদূষণেৰে অস্থায়ী আশ্ৰয় শিবিৰত পাৰ কৰিছিল প্ৰায় ছমাহ দিন-ৰাতি জীয়া-যন্ত্ৰণাৰ মাজত। সমান্তৰালকৈ অগ্নিকাণ্ড নিৰ্বাপন কৰা, ঘটনাৰ ফলত হোৱা প্ৰকৃতি আৰু মানুহৰ ক্ষয়-ক্ষতিৰ উচিত মূল্যৰ দাবীত দিনে-নিশাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰতিবাদৰ ধাৰা এনেকুৱা পৰ্যায় পাইছিল যে গুৱাহাটী মহানগৰীত গৈ অৰ্ধ উলংগ, জুইৰ অভিমুখে যাত্ৰা কৰি আত্মজাহৰ দৰে চৰম প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এমাহ ধৰি তাতে আশ্ৰয় শিবিৰ পাতি প্ৰতিবাদ সাব্যস্ত কৰিছিল বাঘজানবাসীয়ে। অভিশপ্ত বাঘজান অইল বিস্ফোৰণৰ ঘটনাই পাঁচটাকৈ বছৰ অতিক্ৰম কৰাৰ পিছতো সমস্যাই লগ এৰা নাই বাঘজানবাসীক। বৰ্তমান সময়ত মাটি-পানী প্ৰদূষণৰ লগতে বিভিন্ন ৰোগ-ব্যাধিয়ে দেখা দিছে। ঘটনাৰ পিছত কৰ্কট ৰোগৰ দৰে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে কেইবাজনেও মৃত্যুমুখত পৰিছে। স্মৰ্তব্য যে, ঘটনাৰ সময়ত তদানীন্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দুৰ্ভগীয়া বাঘজানবাসীৰ অস্থায়ী আশ্ৰয় শিবিৰত উপস্থিত হৈ ঘোষণা কৰিছিল বহুকেইটা বিশেষ আঁচনি। এই আঁচনিসমূহৰ ভিতৰত অন্যতম আছিল আদৰ্শ চিকিৎসালয় নিৰ্মাণ, বান-গৰাখহনীয়া সমস্যাৰ সমাধানৰ বাবে মথাউৰি নিৰ্মাণ, উন্নতমানৰ পশু চিকিৎসালয় নিৰ্মাণ, উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন, যুৱ প্ৰজন্মৰ বাবে দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন, মহিলা আত্মসহায়ক গোটলৈ বিশেষ সহযোগিতা আগবঢ়োৱা, মাগুৰি বিলক বিশ্বৰ এক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিয়া ইত্যাদি। কিন্তু ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰা আঁচনিসমূহৰ ভিতৰত আজিৰ তাৰিখত কোনোটোৱেই সম্পূৰ্ণ হৈ নুঠিল। উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন হ'ল যদিও আজি পৰ্যন্ত মুকলি কৰা নহ'ল। পশু চিকিৎসালয় নিৰ্মাণ হ'ল যদিও চিকিৎসক নিয়োগৰ ব্যৱস্থা আজিলৈকে নহ'ল। সম্প্ৰতি হাবি-জংঘলেৰে আবৰি ধৰিছে। বান-গৰাখহনীয়া সমস্যাৰ সমাধানৰ ক্ষেত্ৰত মথাউৰি নিৰ্মাণৰ বাবে আবণ্টন দিয়া ২৭ কোটি টকাৰ মাত্ৰ ৪ কোটি টকাৰহে ব্যয় হ'ল যদিও বিজ্ঞানসন্মতভাৱে নিৰ্মাণ নোহোৱাৰ বাবে এতিয়া নদীৰ বুকুত জাহ গৈছে। আনহাতে আদৰ্শ চিকিৎসালয় নিৰ্মাণৰ আধাৰশিলা আজিলৈকে নহ'ল আৰু উল্লেখিত অন্য আঁচনিসমূহৰ আজি পৰ্যন্ত কাৰ্যকৰী নহ'ল। ২০২০ বৰ্ষৰ ২৭ মে' দিনটো কেৱল বাঘজানবাসীৰ বাবেই বেয়া দিন নহয়, সমগ্ৰ দেশবাসীৰ লগতে বিশ্বৰ বাবে এক বেয়া দিন হিচাপে ইতিহাসত চিহ্নিত হৈ ৰ'ব। সেই অভিশপ্ত দিনটোক সুঁৱৰি প্ৰতিবছৰে বাঘজানবাসীয়ে ক'লা দিন হিচাপে পালন কৰি আহিছে। বিগত বৰ্ষৰ দৰে এআজিও বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ উদ্যোগত বৃহত্তৰ বাঘজান-দীঘলটৰং-কলিয়াপানীবাসীৰ সহযোগত বাঘজান অইল বিস্ফোৰণ কাণ্ডৰ প্ৰতিবাদত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ কাৰ্যালয়ত পঞ্চম বাৰ্ষিক "ক'লা দিন" পালন কৰা হ'য়। কাৰ্যসূচী অনুসৰি প্ৰথমে পতাকা উত্তোলন কৰে সংঘৰ সভাপতি তিলক নেওগ, অসম মৰাণ সভাৰ বাঘজান শাখাৰ সভাপতি ৰূপম মৰাণ আৰু মিলনজ্যোতি যুৱ সংঘৰ উপদেষ্টা প্ৰাঞ্জল গগৈয়ে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে সংঘৰ উপদেষ্টা যতীন চেতিয়া, প্ৰকাশ হাজৰিকা, সাধাৰণ সম্পাদক জিন্টু হাজৰিকা, উপ-সভাপতিদ্বয় পোণা মৰাণ, ৰণ্টু মৰাণ আৰু সহকাৰী সম্পাদক মিণ্টু মৰাণে। স্মৃতি তৰ্পণ কৰি ঘটনাত প্ৰাণ আহুতি দিয়া মৃতকৰ আত্মাৰ সদগতি অৰ্থে মৌন প্ৰাৰ্থনা কৰে। সংঘৰ উপদেষ্টা যতীন চেতিয়াই আজি দিনটো ক'লা দিন হিচাপে অনাগত দিনতো পালন কৰি যাব আৰু ক্ষতিগ্ৰস্ত বাঘজানবাসীয়ে ন্যায় নোপোৱা পৰ্যন্ত সংগ্ৰাম কৰি যোৱাৰ লগতে অইল ইণ্ডিয়া লিমিটেড, চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে অনাগত দিনত তীব্ৰ গণ আন্দোলন গঢ়ি তুলিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আনহাতে ঘটনাৰ সময়ত বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱা বিভিন্ন দল-সংগঠন, ব্যক্তি, সামাজিক মাধ্যম, চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমৰ সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সাধাৰণ সম্পাদক জিন্টু হাজৰিকাই। বাঘজান অইল বিস্ফোৰণৰ দৰে ঘটনা অনাগত দিনত আন ক'তো নহওক তাৰে কামনা কৰিছে বাঘজানবাসীয়ে। উল্লেখ্য যে সুদীৰ্ঘ ১৭৩ টা দিনৰ অন্তত ২০২০ বৰ্ষৰ ১৫ নৱেম্বৰত বহু প্ৰচেষ্টা আৰু জল্পনা-কল্পনাৰ অন্তত কানাডাৰ স্নাভিং ইউনিট যন্ত্ৰৰ সহায়ত ৮ জনীয়া বিদেশী বিশেষজ্ঞসকলৰ প্ৰচেষ্টাত আৰু অ' এন জি চি, অইল কৰ্তৃপক্ষৰ সহায়ত অভিশপ্ত অগ্নিকাণ্ড নিৰ্বাপন তথা নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ সুৰত সুৰ মিলাই সৰৱ অসমীয়া

হিমন্ত বিশ্ব শৰ্মাই। আজি দুই-তিনি সপ্তাহ ধৰি হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ বুম দেখা পালেই উচ্চাৰণ কৰে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ নাম। কেতিয়াবা যদি কয় গৌৰৱ গগৈৰ সন্তান ভাৰতীয় নাগৰিক নহয়, কেতিয়াবা কয় আই এছ আইৰ লগত সম্পৰ্কিত এনজিঅ'ৰ পৰা গৌৰৱ গগৈৰ পত্নীয়ে দৰমহা লাভ কৰে। আন কেতিয়াবা আকৌ কয় যে গৌৰৱ গগৈয়ে গোপনে কেইবাবাৰো পাকিস্তান ভ্ৰমণ কৰিছিল। হিমন্ত বিশ্বৰ এই সুৰতেই এতিয়া সুৰ মিলাইছে অসমীয়া যুৱ মঞ্চই। সংবাদমেল যোগে অসমীয়া যুৱ মঞ্চৰ নেতা আকাশ বীৰ শইকীয়াই কয়, "গৌৰৱ গগৈক বাৰে বাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ আছে যে তেওঁ পাকিস্তানৰ এজেণ্ট, তেওঁ পাকিস্তানী। সৌ সিদিনালৈকে আমি বিষয়টো চাই আছিলোঁ কিন্তু কিন্তু আজি আমি অসমীয়া যুৱ মঞ্চ তথা যোৰহাটবাসী লজ্জিত হৈছোঁ। কাৰণ তেখেতৰে দলৰ এজন জ্যেষ্ঠ মানুহ ৰিপুন বৰাই সৌ সিদিনা সংবাদমেল দি ক'লে যে গৌৰৱ গগৈৰ অৰ্ধাংগিনীয়ে পাকিস্তানত এনজিঅ' চলাই আছে আৰু মাহিলি দৰমহা লাভ কৰি আছে। যিসময়ত পাকিস্তানীয়ে আমাৰ ২৬ জন মানুহ আৰু সেনাক হত্যা কৰিলে সেই সময়ত গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানত চাকৰি কৰা কথাটো আমি মানি নল'ম। গতিকে আমি গৌৰৱ গগৈ ডাঙৰীয়াক ক'ব খুজিছোঁ যে আপুনি এটা স্থিতি স্পষ্ট কৰক - আপুনি পাকিস্তানী এজেণ্ট হয় নে নহয়। যদি আপুনি আপোনাৰ স্থিতি স্পষ্ট নকৰে তেন্তে আমি অসমীয়া যুৱ মঞ্চই আপোনাৰ বিৰুদ্ধে যাবলৈ কুণ্ঠাবোধ নকৰিব।" লগতে আকাশবীৰ শইকীয়াই কয়, " বহুদিন ধৈৰ্য ধৰি চালো আপুনি নিমাতী কন্যাৰ ভাও ধৰি বহি আছে। কালি দেখিছোঁ যে আপোনাৰ হৈ ওকালতি কৰাৰ বাবে আপুনি সেইজন ৰিপুন বৰাক ধন্যবাদ জনাইছে, যিজনে কৈ দিলে যে আপোনাৰ অৰ্ধাংগিনীয়ে পাকিস্তানত চাকৰি কৰে। গতিকে নিশ্চয় ইয়াত ৰহস্য আছে। যদি গৌৰৱ গগৈৰ পাকিস্তানৰ লগত সম্পৰ্ক আছে অথবা নাই তেন্তে গৌৰৱ গগৈয়ে সেই কথা স্পষ্ট কৰক। যদি সঁচাকৈ গৌৰৱ গগৈৰ লগত পাকিস্তানৰ সম্পৰ্ক আছে তেন্তে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আমি অসমীয়া যুৱ মঞ্চই দাবী জনাইছোঁ। কাৰণ আমি ভালৰ লগত ভাল আৰু কালৰ লগত কাল। যদি কাইলৈ বিজেপিয়ে বেয়া কাম কৰে তেন্তে আমি বিজেপিৰ লগতো নাই।" এনেদৰেই গৌৰৱ গগৈয়ে কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব লাভ কৰাৰ পিছত আজি সংবাদমেল সম্বোধন কৰি হিমন্ত বিশ্বৰ সুৰতে সুৰ মিলাই গৌৰৱ গগৈক আক্ৰমণ কৰে অসমীয়া যুৱ মঞ্চই। সেয়েহে এতিয়া নিঃসন্দেহে অসমীয়া যুৱ মঞ্চ নামৰ জাতীয় সংগঠনটো বিজেপিৰ লগত মিলি আছে নেকি বুলি সন্দেহ প্ৰকাশ কৰিছে সচেতন সমাজে। ছ'চিয়েল মিডিয়াতো উক্ত সংগঠনটোক এতিয়া সন্দেহৰ দৃষ্টিৰে চাইছে নেটিজেনসকলে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ওদালগুৰিত বিজেপিৰ কাৰ্যকৰ্তা সভা

কাৰ্যকৰ্তা সভা আৰু যোগদান কাৰ্যসূচীত উপস্থিত থাকি এই মন্তব্য প্ৰদান কৰে সভাপতি শইকীয়াই। অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি শইকীয়াই কয়, "আজিৰে পৰা ওদালগুৰিত আৰম্ভ মিচন বিটিআৰ। আমাৰ ওদালগুৰি জিলাৰ ১০ টা পৰিষদীয় সমষ্টিতে জয়ী হোৱাৰ সংকল্পৰে আগবাঢ়িছো। এটা সময়ত ওদালগুৰি জিলাত বিজেপি দলৰ শক্তি তেনেই কম আছিল। কিন্তু বিগত ৪-৫ বছৰত জিলাখনৰ প্ৰতিটো বুথতে প্ৰতিখন গাওঁত বিজেপি শক্তিশালী হবলৈ আৰম্ভ কৰিছে। আমাৰ এই সফলতা আমি ৰাইজৰ বাবে উৎসৰ্গা কৰিছো। ওদালগুৰি জিলাৰ চাৰিটা বিধানসভা সমষ্টিতে দিনক দিনে ভাৰতীয় জনতা পাৰ্টীৰ সদস্য বাঢ়ি গৈ আছে। বিজেপিয়ে প্ৰতিটো ক্ষেত্ৰতে নিজৰ প্ৰতিশ্ৰুতি পালন কৰি আহিছে। বিটিচিৰ ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তত ৰাজ্য চৰকাৰখনে পথ, মথাউৰিকে ইত্যাদি কৰি বিভিন্ন উন্নয়নমূলক কাম কৰিছে। অহা মাহৰ পৰা ওদালগুৰি বিধানসভা সমষ্টিত ৩৫ হাজাৰ আই মাতৃক অৰুণোদায় আচনি প্ৰদান কৰাৰ সিদ্ধান্ত আজি গ্ৰহণ কৰিছো। সমান্তৰালভাৱে ওদালগুৰি জিলাৰ এক লাখ বিশ হাজাৰ আই মাতৃয়ে অহা আগষ্ট মাহৰ পৰা অৰুণোদয়ৰ ধন লাভ কৰিবলৈ সক্ষম হব। ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিটিচি অঞ্চলত সংঘাট দূৰ কৰি ভাতৃত্ববোধ মিলাপ্ৰীতিৰে আগবাঢ়িব বিচাৰিছে। কিন্তু বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ নাম লৈ যদি কোনোৱাই বিটিচিত শাসন চলাবলৈ আহে, তেন্তে তাক নস্যাৎ কৰিব বিটিআৰবাসীয়ে। আমি বিজেপিয়ে বডোফাৰ আদৰ্শ আগত ৰাখি বিটিআৰত সেৱা প্ৰদান কৰিবলৈ আহিছো। আগন্তুক নিৰ্বাচনত কোনো ধৰণৰ কম্প্ৰমাইজ নকৰি ৪০ টা সমষ্টিতেই আমি নিৰ্বাচন খেলিম। প্ৰতিটো সমষ্টিতে আমাৰ শক্তি আছে, কাৰ্যকৰ্তা আছে। বিটিচিত কোনো ধৰ্মৰ নামত ৰাজনীতি হব নালাগে। কোনোৱাই আমাক ভাল পালে আমিও ভাল পাম আৰু যদি আমাক বেয়া পায়, আমি কিয় ভাল পাম? আগন্তুক ২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিব। আন দলৰ কোনোৱে কোনোৱে মুখ্যমন্ত্ৰীৰ সপোন দেখি আছে যদিও সেই সপোন পূৰণ নহয়। অহা দিনকেইটাত ওদালগুৰি জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতেই মোৰ সংসদ পুজিৰ আঢ়ৈ কোটি টকাকৈ মুঠ দহ কোটি দি দিম।" ইফালে আগন্তুক বিটিচি নিৰ্বাচন সমাপ্ত নোহোৱা পৰ্যন্ত দলৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাক ২৪ ঘণ্টাই দলীয় কৰ্মত নিয়োগ হবলৈ তেখেতে আহ্বান জনায়। আজিৰ উক্ত অনুষ্ঠানত উপস্থিত থাকি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই কয়, "পূৰ্বে বিটিচি অঞ্চলত শান্তি নাছিল। কিন্তু বৰ্তমান অঞ্চলটোত শান্তিৰ বাতাৱৰণ আহিছে বুলিও উল্লেখ কৰে। আজিৰ এই যোগদান কাৰ্যসূচীত কৌতুক শিল্পী বিপুল ৰাভাৰ লগতে বহু লোকে বিজেপি দলত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত অসম বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱলোচন দাস, জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীৰ লগতে দলটোৰ জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বহু নেতা উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ পূৰ্বে ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক। জিলাখনৰ অভিভাৱক মন্ত্ৰীৰূপে অৰুণোদয় ৩.০ৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত সমিতিৰ সদস্যসকলৰ সৈতে আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই এক বৈঠকত অংশ লয়। অসম চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয় ৩.০ৰ সফল ৰূপায়ণৰ বাবে প্ৰত্যেক জিলাত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰা হৈছে। আজিৰ বৈঠকত মহিলা সৱলীকৰণ, দৰিদ্ৰতা নিৰ্মূল, আৰ্থিকভাৱে সুদৃঢ়কৰণৰ উদ্দেশ্যে অসম চৰকাৰে গ্ৰহণ কৰা এই কল্যাণমূলক আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰী যাতে বঞ্চিত নহয়, তাৰ বাবে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ মন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়। অৰুণোদয় আচনি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এক অভিলাষী আঁচনি বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই এই আঁচনিৰ দ্বাৰা সকলো যোগ্য হিতাধিকাৰীকে যাতে সামৰি ল'ব পাৰি সেইটো সুনিশ্চিত কৰিবলৈ বিষয়া সকলক নিৰ্দেশ দিয়ে। মহিলা সবলীকৰণ আৰু আৰ্থিক স্বতন্ত্ৰতাৰ বাবে ই এক বিশেষ আঁচনি বুলি কৈ মন্ত্ৰীগৰাকীয়ে সমাজৰ পৰা দৰিদ্ৰতা নিৰ্মূলকৰণৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। আজিৰ সভাতে ওদালগুৰি জিলাৰ শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা মুঠ ৬গৰাকী শিল্পীক মন্ত্ৰী হাজৰিকাই প্ৰমাণপত্ৰ বিতৰণ কৰে। উল্লেখ্য যে অসম চৰকাৰে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত প্ৰত্যেকটো বিধানসভা সমষ্টিৰ এটাকৈ পঞ্জীয়নভুক্ত ইউথ ক্লাবক আৰ্থিক অনুদান প্ৰদানৰ লক্ষ্য লৈছিল। ওদালগুৰি জিলাখনৰ ৪টা বিধান সভা সমষ্টিৰ ৪টা ক্লাবৰ প্ৰতিনিধিক আজিৰ সভাত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। সভাত বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, বিধায়ক ক্ৰমে গোবিন্দ চন্দ্ৰ বসুমতাৰী, দুৰ্গাদাস বড়ো আৰু চৰণ বড়ো, বিটিআৰৰ ইএম ক্ৰমে দিগন্ত বৰুৱা, নীলোৎ স্বৰ্গীয়াৰী আৰু দাওবাইছা বড়োসহ যথেষ্টসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁও জিলা সত্ৰ মহাসভাৰ দণ্ড সেৱা

৯ বজাত অসম সত্ৰ মহাসভাৰ ধৰ্মধ্বজা উত্তোলন কৰে নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীয়ে। পৰৱৰ্তী সময়ত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে দুপৰীয়া শ্ৰীশ্ৰী গজলা সত্ৰৰ সত্ৰাধিকাৰ সৰ্বানন্দ মহন্তৰ পৰিচালানাত নাম-প্ৰসংগ অনুষ্ঠিত হয়।সন্ধিয়া বন্তি প্ৰজ্জলন কৰে মৰিগাঁও জিলাৰ শ্ৰীশ্ৰী দহঘৰ সত্ৰৰ সত্ৰাধিকাৰ কমলা মহন্তই। সন্ধ্যা ৮ বজাত শ্ৰীশ্ৰী লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে নিমন্ত্ৰিত ভকত বৈষ্ণৱসকলক আদৰণি জনায়। আদৰণি জনোৱা অন্তত দণ্ড সেৱা (পালনাম) ভাগ লক্ষীমপুৰ জিলাৰ শ্ৰীশ্ৰী নাচনী পাৰ সত্ৰৰ সত্ৰাধিকাৰ মোহন গোস্বামীৰ পৰিচালনাত আৰম্ভ হয়। উক্ত অনুষ্ঠানত বিশ্বনাথ জিলাৰ শ্ৰীশ্ৰী ধোপাবৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ, যোৰহাট জিলাৰ শ্ৰী শ্ৰী নগৰীয়া সত্ৰৰ ডেকা সত্ৰাধিকাৰ লগতে সত্ৰৰ কেইবাজনো ভক্ত, শিৱসাগৰ জিলাৰ শ্ৰীশ্ৰী বাৰেঘৰ সত্ৰৰ সত্ৰীয়া, শ্ৰীশ্ৰী কাটনিপাৰ সত্ৰৰ সত্ৰীয়া, শ্ৰীশ্ৰী জকাই সত্ৰৰ সত্ৰীয়াসকলে অংশগ্ৰহণ কৰাৰ লগতে নগাঁও জিলাৰ কেইবাজনো ভক্তই অংশগ্ৰহণ কৰে। ২৫ মে'ৰ পুৱা বিভিন্ন অনুষ্ঠানৰ লগতে অন্নগ্ৰহণ কৰাৰ অন্তত ভকত-বৈষ্ণৱ সকলক বিদায় সম্ভাষণৰে সামৰণি পৰে বুলি নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক অমৃত মহন্তই জানিবলৈ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁৱৰ ডিমৌত ভয়ংকৰ দুৰ্ঘটনা

খুন্দিয়াই গুৰুতৰভাৱে আহত কৰে। লগে লগে উদ্ধাৰ কৰি তেওঁক ততাতৈয়াকৈ নগাঁও চহৰৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। বেবেজীয়া চাৰিআলিৰ সমীপৰ বাসিন্দা তথা বেবেজীয়াৰ ভোগেশ্বৰ হাজৰিকা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কৰ্ম সম্পাদন কৰা দাসে কেইমাহমানৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও দায়িত্ব পালন কৰিছিল। এগৰাকী সমাজকৰ্মী, সুলেখক আৰু কবি হিচাপে ৰূপে পৰিছিত তৰুণ দাসৰ এনে কৰুণ মৃত্যুত বেবেজীয়া আৰু জন্মভূমি ঘাঁহী অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ শিক্ষয়িত্ৰী পত্নীসহ এজন পুত্ৰ, এগৰাকী জীয়ৰীকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# সুস্থিৰ আৰু স্থায়ী অৰ্থনৈতিক বিকাশলৈ এতিয়াও বহুযোজন বাট ভাৰতৰ

## বিশাল জনসংখ্যাৰ বাবে জনমূৰি জিডিপি এতিয়াও যথেষ্ট কম

**নতুন দিল্লী, ২৭ মে':** চলিত বৰ্ষত ভাৰত বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হ'ব যদিও বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ বাবে আইএমএফৰ মতে ইয়াৰ জনমূৰি জিডিপি যথেষ্ট কম হৈ আছে। সেয়া মাত্ৰ ২,৮৮০ ডলাৰ। এই সংখ্যা চীনৰ ১৩,৬৯০ ডলাৰ আৰু জাপানৰ ৩৩,৯৬০ ডলাৰৰ পৰা বহু পিছ পৰি আছে। জনমূৰি মুঠ ঘৰুৱা উৎপাদন হৈছে এটা মূল অৰ্থনৈতিক সূচক যিয়ে এখন দেশৰ প্ৰতিজন ব্যক্তিৰ গড় অৰ্থনৈতিক উৎপাদন জুখিব পাৰে। অৰ্থনীতিবিদসকলে দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ ওপৰত ভিত্তি কৰি দেশসমূহৰ সমৃদ্ধি নিৰ্ণয় কৰিবলৈ জনমূৰি জিডিপি ব্যৱহাৰ কৰে। জনমূৰি জিডিপিৰ ক্ষেত্ৰতো ভাৰতে শীৰ্ষ ১০০খন দেশৰ ভিতৰত স্থান লাভ নকৰে, আনকি ক্ৰয় ক্ষমতা সমতা বা পিপিপি ৰেংকিঙতো স্থান নাই। বৃহৎ জনসংখ্যাই (১.৪ বিলিয়ন) জিডিপি দুগুণ হোৱাৰ লাভক স্তিমিত কৰি পেলায়। লগতে, অনানুষ্ঠানিক নিয়োগ (প্ৰায় ৯০% কৰ্মশক্তিৰ) আৰু কম মহিলা কৰ্মশক্তিৰ অংশগ্ৰহণে (২৬% বনাম বিশ্বব্যাপী ৪৭%) জনমূৰি লাভ সীমিত কৰে। তথাপি, যোৱা ১০ বছৰত জনমূৰি আয় দুগুণৰ ওচৰ চাপিছে। ক্ৰমাৎ বৃদ্ধি পোৱা বিশ্ব অৰ্থনৈতিক অনিশ্চয়তা, ভূ-ৰাজনৈতিক সংঘাত আৰু ড'নাল্ড ট্ৰাম্পৰ শুল্কৰ মাজতো ভাৰতে ২০২৫ চনৰ বাবে ৬.২% জিডিপি বৃদ্ধিৰ হাৰেৰে সৰ্বাধিক দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান বিশ্ব অৰ্থনীতি হোৱাৰ ৰেংকটো ধৰি ৰাখিব। কিন্তু সুস্থিৰ আৰু স্থায়ী অৰ্থনৈতিক বিকাশৰ পথত থাকিবলৈ বিশেষজ্ঞসকলে নিৰন্তৰ সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আমেৰিকা আৰু চীনৰ দৰে বৃহৎ শক্তিকে ধৰি ভাৰতে বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ বজাৰ হিচাপে স্থান লাভ কৰাটোত কোনো সন্দেহ নাই। কিন্তু এই বৃদ্ধিৰ সুবিধা বহল জনসংখ্যাৰ মাজলৈ যাবলৈ হ'লে যুৱক-যুৱতীসকলৰ বাবে যথেষ্ট নিয়োগৰ সুযোগ সৃষ্টি কৰা আৰু বহনক্ষম, সুস্থিৰ আৰু নিৰ্ভৰযোগ্য অৰ্থনৈতিক অগ্ৰগতি নিশ্চিত কৰিবলৈ এক শক্তিশালী উৎপাদন খণ্ড গঢ়ি তোলাত মনোনিৱেশ কৰাটো অতি প্ৰয়োজনীয়।



৩১ বাৰ এভাৰেষ্ট জয় কৰি অভিলেখ গঢ়িলে নেপালৰ শ্বেৰপা গাইড কামি ৰীতাই, ফটো, মঙলবাৰ

# হাৰিয়ানাৰ পঞ্চকুলাত ৭জনীয়া ঋণগ্ৰস্ত পৰিয়ালৰ আত্মহত্যা

**চণ্ডীগড়, ২৭ মে':** চণ্ডীগড়ৰ সংলগ্ন হাৰিয়ানাৰ পঞ্চকুলাত সোমবাৰে মাজনিশা এখন গাড়ীত মৃত অৱস্থাত উদ্ধাৰ হয় উত্তৰাখণ্ডৰ ডেৰাডুনৰ এটা পৰিয়ালৰ সাতজন সদস্য। আৰক্ষীয়ে পৰিয়ালটোৱে "আৰ্থিক ঋণ আৰু মানসিক সমস্যা"ৰ বাবে আত্মহত্যা কৰা বুলি সন্দেহ কৰিছে। পঞ্চকুলাৰ ২৭ নং ছেক্টৰৰ এটা ঘৰৰ বাহিৰত খালী প্লটত ৰখাই থোৱা গাড়ীখনৰ ভিতৰতে বিহপান কৰে পৰিয়ালটোৱে। গাড়ীখনৰ পিছফালৰ খিৰিকীৰ কাঁচবোৰ টাৱেলেৰে ঢাকি থোৱা আছিল, আৰু দুৱাৰবোৰ ভিতৰৰ পৰা লক কৰা আছিল। নিহতসকল ক্ৰমে প্ৰবীণ মিত্তল, তেওঁৰ পিতৃ দেশৰাজ মিত্তল, মাতৃ বিমলা, পত্নী ৰীনা, যমজ কিশোৰী কন্যা ধ্ৰুৱিকা আৰু দলিশা, পুত্ৰ হাৰ্দিক। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ সময়ত এজন ব্যক্তি উশাহ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱাৰ বিপৰীতে বাকীকেইজন অচেতন হৈ আছিল। সচেতন ব্যক্তিজনে উল্লেখ কৰে যে তেওঁলোৱে বিষ সেৱন কৰিছে আৰু পাঁচ মিনিটৰ ভিতৰতে মৃত্যুবৰণ কৰিব। জানিব পৰা মতে, প্ৰায় এমাহ পূৰ্বে ডেৰাডুনৰ পৰা পঞ্চকুলাৰ সাকেত্ৰীলৈ স্থানান্তৰিত হোৱা পৰিয়ালটোৱে দুটা কোঠাৰ ভাড়াঘৰত বাস কৰিছিল। সোমবাৰে নিশা বাগেশ্বৰ ধামৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰি উভতি আহিছিল পৰিয়ালটো। আৰক্ষী আহি পোৱাৰ সময়ত প্ৰবীণ নামৰ লোকজন জীয়াই আছিল যদিও পিছত চিকিৎসালয়ত তেওঁৰ মৃত্যু হয়। গাড়ীখনৰ পৰা এখন ছুইচাইড নোট উদ্ধাৰ কৰা হয়। য'ত তেওঁ ঋণত ডুব যোৱাৰ কথা উল্লেখ কৰা হৈছিল।

# অমৃতসৰত হাততে বোমা ফুটি মৃত্যু সন্দেহযুক্ত খালিস্তানী সন্ত্ৰাসবাদীৰ

**অমৃতসৰ, ২৭ মে':** মঙলবাৰে পুৰা বাব্বৰ খালছা ইণ্টাৰনেশ্যনেল (বিকেআই)ৰ এজন সন্দেহযুক্ত সন্ত্ৰাসবাদী বিস্ফোৰণত নিহত হয়। সীমান্ত ৰেঞ্জৰ উপ-মহাপৰিদৰ্শক সতীন্দৰ সিঙে জনোৱা মতে, তেওঁৰ থিতাতে মৃত্যু হয়। মহানগৰীৰ উপকণ্ঠৰ অমৃতসৰ-মজিঠা পথৰ কাষত অৱস্থিত নৌছেৰা গাঁৱৰ সমীপত বিস্ফোৰণস্থলী পৰিদৰ্শন কৰি এই সবিশেষ নিশ্চিত কৰে সিঙে। ইয়াৰ পূৰ্বে এটা ফৰেনছিক দল আৰু পঞ্জাব আৰক্ষীৰ বোমা নিষ্ক্ৰিয়কৰণ দলটোৱে সেই স্থানত উপস্থিত হৈ ঘটনাটোৰ তদন্ত কৰে। অমৃতসৰত সাংবাদিকৰ আগত সিঙে কয়, 'বিস্ফোৰণৰ সময়ত বিস্ফোৰক সামগ্ৰী তেওঁৰ হাতত আছিল। তেওঁৰ পৰিচয় আৰু তেওঁ কোন সন্ত্ৰাসবাদী সংগঠনৰ অন্তৰ্গত সেই বিষয়ে আমি তদন্ত কৰি আছোঁ।' লোকজনে বিস্ফোৰকটো খান্দি উলিয়াবলৈ চেষ্টা কৰি থকাৰ সময়তে বিস্ফোৰণ সংঘটিত হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে।

ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট
অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিং প্ৰতিটো কথা
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা
আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# দেশত স্থাপন হ'ব ষ্টেলথ ফাইটাৰ জেট নিৰ্মাণ প্ৰকল্প

**নতুন দিল্লী, ২৬ মে':** চীনে নিজৰ অস্ত্ৰভাণ্ডাৰ শক্তিশালী কৰিবলৈ পাকিস্তানক যুঁজাৰু বিমান যোগান ধৰাৰ পৰিকল্পনা দ্ৰুতগতিত চলোৱাৰ মাজতে নতুন দিল্লীয়েও নিজাকৈ ষ্টেলথ এয়াৰক্ৰাফ্ট নিৰ্মাণৰ পৰিকল্পনাত অনুমোদন জনাইছে। ভাৰতৰ আটাইতকৈ উন্নত যুদ্ধ বিমানখনৰ নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। এই যুদ্ধ বিমানখন হ'ব দ্বৈত ইঞ্জিনযুক্ত পঞ্চম প্ৰজন্মৰ সামৰিক বিমান আৰু এই কাৰ্যসূচী চৰকাৰী এৰ'নটিকেল ডেভেলপমেণ্ট এজেন্সী বা এডিএই-য়ে সম্পন্ন কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ পৰিকল্পনা অনুসৰি এডিএই-য়ে অতি সোনকালে ৰাজহুৱা আৰু ব্যক্তিগত প্ৰতিৰক্ষা সংস্থা উভয়কে এই যুদ্ধবিমানখনৰ বাবে এটা প্ৰ'ট'টাইপ প্ৰস্তুত কৰি অভিলাষী প্ৰকল্পটোত অংশগ্ৰহণৰ বাবে প্ৰাৰম্ভিক আগ্ৰহ প্ৰকাশ কৰিবলৈ আমন্ত্ৰণ জনাব। ব্যক্তিগত প্ৰতিষ্ঠানসমূহক জড়িত কৰাৰ সিদ্ধান্ত চলিত বৰ্ষৰ মাৰ্চ মাহত এখন শীৰ্ষ প্ৰতিৰক্ষা সমিতিয়ে পৰামৰ্শ দিছিল। চৰকাৰী হিন্দুস্তান এৰ'নটিক্স লিমিটেডৰ ওপৰত এই পদক্ষেপে হেঁচা হ্ৰাস কৰিব।

# জুনত স্বাভাৱিকতকৈ অধিক বৰষুণ হ'ব দেশতঃ আইএমডি

**নতুন দিল্লী, ২৭ মে':** ভাৰতৰ বতৰ বিজ্ঞান বিভাগৰ শেহতীয়া পূৰ্বাভাস অনুসৰি জুন মাহত ভাৰতত স্বাভাৱিকতকৈ অধিক বৰষুণ হ'ব। বিভাগটোৱে মাহটোৰ বাবে দীৰ্ঘকালীন গড়ৰ ১০৮ শতাংশ বৰষুণৰ অনুমান কৰিছে। আজি এখন সংবাদমেলত ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ সচিব এম ৰবিচন্দ্ৰনে কয় যে মূল বাৰিষা অঞ্চলত— মধ্যপ্ৰদেশ, ছত্তীশগড়, মহাৰাষ্ট্ৰ, ওড়িশা আৰু চুবুৰীয়া অঞ্চলৰ কিছু অংশত সাধাৰণতকৈ অধিক বৰষুণ (এলপিএৰ ১০৬ শতাংশতকৈ অধিক) হোৱাৰ সম্ভাৱনা আছে। আইএমডিৰ তথ্য অনুসৰি এলপিএৰ ৯৬ শতাংশৰ পৰা ১০৪ শতাংশৰ ভিতৰত বৰষুণ হোৱাটো স্বাভাৱিক বুলি বিবেচনা কৰা হয়।

# আইটিআৰ দাখিলৰ সময়সীমা ১৫ ছেপ্টেম্বৰলৈ বৃদ্ধি

**নতুন দিল্লী, ২৭ মে':** আয়কৰ বিভাগে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ আয়কৰ ৰিটাৰ্ন দাখিলৰ নিৰ্ধাৰিত তাৰিখ চলিত বৰ্ষৰ ৩১ জুলাইৰ পৰা ১৫ ছেপ্টেম্বৰলৈ বৃদ্ধি কৰিছে। তদুপৰি আয়কৰ বিভাগে এতিয়াও আয়কৰ ৰিটাৰ্ন দাখিল কৰিবলৈ ইউটিলিটি জাৰি কৰা নাই। আয়কৰ বিভাগে এক্সত এটা পোষ্টৰ জৰিয়তে এই কথা ঘোষণা কৰে। পোষ্টটোৰ মতে, ২০২৫ চনৰ ৩১ জুলাইৰ আইটিআৰ দাখিল কৰাটো বেছিভাগ সাধাৰণ শ্ৰেণীৰ কৰদাতাৰ ক্ষেত্ৰত প্ৰযোজ্য। ইয়াৰ ভিতৰত আছে বেছিভাগ দৰমহাপ্ৰাপ্ত কৰ্মচাৰী আৰু সেই সকলো কৰদাতা যাৰ একাউণ্টৰ অডিট কৰাটো প্ৰয়োজনীয় নহয়। দৰমহাপ্ৰাপ্ত কৰ্মচাৰীয়ে তেওঁলোকৰ আয়কৰ ৰিটাৰ্ন দাখিল কৰিবলৈ ৪৬ দিনৰ অতিৰিক্ত সময় পাব। অন্তিম তাৰিখৰ ভিতৰত আইটিআৰ দাখিল নকৰিলে ৫ হাজাৰ টকা পৰ্যন্ত জৰিমনা প্ৰযোজ্য হ'ব। কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ ব'ৰ্ডে এই নিৰ্ধাৰিত সময় বৃদ্ধি কৰাৰ কাৰণ স্পষ্ট কৰিছে। চিবিডিটিৰ মতে, "এ ৰাই ২০২৫-২৬ৰ বাবে অধিসূচিত আইটিআৰসমূহ অনুসৰণ সৰল কৰা, স্বচ্ছতা বৃদ্ধি কৰা আৰু সঠিক প্ৰতিবেদন সমৰ্থ কৰাৰ লক্ষ্যৰে গাঁথনিগত আৰু বিষয়বস্তুৰ পুনৰীক্ষণৰ অধীনত আছে। এই পৰিবৰ্তনসমূহৰ বাবে ব্যৱস্থাপ্ৰণালীৰ বিকাশ, সংহতি আৰু সংশ্লিষ্ট সঁজুলিসমূহৰ পৰীক্ষণৰ বাবে অতিৰিক্ত সময়ৰ প্ৰয়োজন হৈছে।"

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গংগাৰাম ক'ল হত্যাকাণ্ডৰ তদন্তৰ বাবে

পোছা কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য, ২০১৩ চনৰ ২৫ মাৰ্চৰ নিশা হত্যাৰ বলি হৈছিল শ্ৰমিক নেতা গংগাৰাম ক'ল। অভিশপ্ত সেই নিশা তিনিচুকীয়া জিলাৰ পানীতোলা চাহ বাগিচাৰ গুটিবাৰী লাইনস্থিত নিজ ঘৰলৈ গৈ থকাৰ পথত বাসগৃহৰ পৰা প্ৰায় আধা কিলোমিটাৰ দূৰত্বত থেকেৰাগুৰি লাইনত সংঘটিত হৈছিল গংগাৰাম ক'লৰ নৃশংস হত্যাকাণ্ড। অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকৰ লগতে এআইচিচিটিইউৰ ৰাজ্যিক উপ-সভাপতি আৰু চিপিআই (এম-এল)ৰ ৰাজ্যিক সদস্যজনৰ হত্যাকাণ্ডই জোঁকাৰি গৈছিল সমগ্ৰ ৰাজ্য। ধাৰাবাহিক তীব্ৰ প্ৰতিবাদে ৰাজ্য কঁপাই যোৱাৰ পিছত অসম চৰকাৰে বিশিষ্ট শ্ৰমিক নেতা ক'লৰ হত্যাকাণ্ডৰ তদন্তৰ দায়িত্ব চিবিআইৰ হাতত অৰ্পণ কৰিছিল। একাধিক হাইপ্ৰফাইল ব্যক্তিৰ নাম সাঙোৰ খাই পৰা ক'ল হত্যাকাণ্ডৰ দীৰ্ঘদিনীয়া তদন্তৰ অন্তত চি বি আইৰ তৰফৰ পৰা দাখিল কৰা হৈছিল প্ৰতিবেদন। কিন্তু তদন্তকাৰী সংস্থাৰ প্ৰতিবেদনে সন্তুষ্ট কৰিব পৰা নাছিল গংগাৰাম ক'লৰ পৰিয়াল আৰু ন্যায়প্ৰাপ্তিৰ বাবে সংগ্ৰামৰত একাধিক দল-সংগঠনক। ইয়াৰ পৰিণতিত নিজৰ অসন্তুষ্টি জাহিৰ কৰি পুনৰ আদালতৰ দাৰস্থ হৈছিল ক'লৰ পত্নী সখীলা মুণ্ডা আৰু আদালতৰ নিৰ্দেশৰ ভিত্তিত ১১ বছৰৰ পিছত পুনৰ খোল খায় গংগাৰাম ক'ল হত্যাকাণ্ডৰ চিবিআইৰ ফাইল। ইয়াৰ পিছত বিগত বৰ্ষৰ নৱেম্বৰত তদন্তৰ বাবে কলকাতাস্থিত কাৰ্যালয়ৰ পৰা তিনিচুকীয়াত উপস্থিত হয়। কেইবাদিনো তিনিচুকীয়াত বাহৰ পাতি যোৱাৰ পিছত এতিয়া গংগাৰম ক'ল হত্যাকাণ্ডৰ তদন্তৰ বাবে পুনৰ তিনিচুকীয়ালৈ আগমন ঘটিছে । চিবিআইৰ তদন্তকাৰী দলটোৱে বিভিন্নজনক সোধা-পোছা কৰাৰ উপৰি দেৱনাথ মাঝি আৰ টেনিছ ওৰাংক ৪ জুনত চিবিআই কলকাতাস্থিত কাৰ্যালয়লৈ তলব কৰিছে। উল্লেখ্য, দেৱনাথ মাঝি আৰু টেনিছ ওৰাং হৈছে গংগাৰাম ক'লৰ অতীজৰ ঘনিষ্ঠ সংগ্ৰামী সতীৰ্থ। দুয়োজনে ক'ল হত্যাকাণ্ডৰ ন্যায় বিচাৰি দীৰ্ঘদিন সংগ্ৰাম অব্যাহত ৰাখিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এখন গামোচাৰ দাম ১ লাখ টকা!

হৈছে। মূলতঃ কৃষিভিত্তিক ব্যৱস্হাৰে পৰিচালিত সমাজত এনে প্ৰসংগৰ পৰা আঁতৰি থকাৰ বাবেই ৰাজহুৱাভাৱে বিষ্ণুহোম অনুষ্ঠিত কৰা হয়। এনে সবাহৰ সুযোগ লৈ শেহতীয়াভাৱে মন্দিৰসমূহত আয়োজিত হৈছে ফুলাম গামোচাৰ ৰাজহুৱা নিলাম কাৰ্যসূচী। মন্দিৰলৈ অহা ভক্তৰ মাজত নিলাম কৰিবলগীয়া গামোচা খনক দেৱবসন নাম দিয়া হয়। ডাঁহী অৰ্জুনতল শ্ৰীবিষ্ণু মন্দিৰত দুটা দশক পূৰ্বৰে পৰা আৰম্ভ হোৱা এই নিলাম প্ৰক্ৰিয়া লাহে লাহে সম্প্ৰসাৰিত হৈছে। এই নিলাম এক প্ৰকাৰ মন্দিৰ পৰিচালনাৰ এক মহৌষধ হিচাপে পৰিগণিত হৈছে। মন্দিৰ নিৰ্মান, মেৰামতি, বছৰেকীয়া ভিন্ন পৰ্বৰ বাবে পুঁজি সংগ্ৰহত সহায়ক হৈছে। নিজডাঁহী বনিয়াপাৰাৰ শতিকা পুৰণি শিৱ মন্দিৰতো ২০১৭ চনৰ পৰা দেৱবসন নিলাম সম্পন্ন হৈ আহিছে। কিন্তু বিগত বছৰ সমূহৰ তুলনাত দেৱবসনৰ নিলাম এইবাৰ ১ লাখ ১ টকা দৰত বিক্ৰী হয়। স্হানীয় যুৱক তথা ছিপাঝাৰ ঘোৰাবান্ধাৰ মা লক্ষ্মী জুৱেলাৰীৰ স্বত্বাধিকাৰী নৃপেন বনিয়াই পিতৃ মুকুন্দ বনিয়া আৰু মাতৃ কেহেই বনিয়া সহ পৰিয়ালৰ আশীৰ্বাদ বিচাৰি দেৱবসন ক্ৰয় কৰে। পৰম্পৰা অনুসৰি এই নিলামৰ ১২ ঘন্টা নৌহওঁতেই মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি যাদৱ চন্দ্ৰ বনিয়া, উপ-সভাপতি যোগেশ্বৰ বনিয়া, মুখ্য সম্পাদক শশীন্দ্ৰ বনিয়া, সহঃ সম্পাদক সুশীল বনিয়া আৰু অৰূপ চহৰীয়া তথা ঘণ্টিৰ বনিয়াৰ নেতৃত্বত সদলবলে নৃপেনৰ আৱাসত পৰিয়ালক আশীৰ্বাদ প্ৰদানেৰে দেৱবসন অৰ্পন কৰে। তাৎপৰ্যপূৰ্ণ সনাতন ধৰ্মৰে জড়িত এনে এক অনুষ্ঠানত দুই সহস্ৰাধিক ভক্তই জেঠমহীয়া সবাহত অংশ লয়। তদুপৰি মূল সভাৰ পূৰ্বসন্ধ্যা নামৰ ৯৩ বছৰীয়া বিখ্যাত পাঠক ৰামচৰণ ভৰালী আৰু বসন্ত বায়নৰ যুঁজৰ নামো সম্পন্ন হয়।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ওদালগুৰিত অৰুণোদয় হিতাধিকাৰী

গঠন কৰা হৈছে। আজিৰ বৈঠকত মহিলা সবলীকৰণ, দৰিদ্ৰতা নিৰ্মূল, আৰ্থিকভাৱে সুদৃঢ়কৰণৰ উদ্দেশ্যে অসম চৰকাৰে গ্ৰহণ কৰা এই কল্যাণমূলক আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰী যাতে বঞ্চিত নহয়, তাৰ বাবে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ মন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়। অৰুণোদয় মূখ্যমন্ত্ৰী ডাে হিমন্ত বিশ্ব শৰ্মাৰ এক অভিলাষী আঁচনি বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই এই আচঁনিৰ দ্বাৰা সকলো যোগ্য হিতাধাৰীকে যাতে সামৰি ল'ব পাৰি সেইটো সুনিশ্চিত কৰিবৰ বাবে বিষয়া সকলক নিৰ্দেশ দিয়ে। মহিলা সবলীকৰণ আৰু আৰ্থিক স্বতন্ত্ৰতাৰ বাবে ই এক বিশেষ আঁচনি বুলি কৈ মন্ত্ৰীগৰাকীয়ে সমাজৰ পৰা দৰিদ্ৰতা নিৰ্মূলকৰণৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। আজিৰ সভাতে ওদালগুৰি জিলাৰ শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা মুঠ ৬গৰাকী শিল্পীক মন্ত্ৰী হাজৰিকাই প্ৰমাণপত্ৰ বিতৰণ কৰে। উল্লেখ্য যে অসম চৰকাৰে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত প্ৰত্যেকটো বিধানসভা সমষ্টিৰ এটাকৈ পঞ্জীয়নভুক্ত ইউথ ক্লাবক আৰ্থিক অনুদান প্ৰদানৰ লক্ষ্য লৈছিল। ওদালগুৰি জিলাখনৰ ৪টা বিধান সভা সমষ্টিৰ ৪টা ক্লাবৰ প্ৰতিনিধিক আজিৰ সভাত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। আজিৰ সভাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, বিধায়ক ক্ৰমে গোবিন্দ চন্দ্ৰ বসুমতাৰী, দুৰ্গাদাস বড়ো আৰু চৰণ বড়ো, বিটিআৰৰ ইএম ক্ৰমে দিগন্ত বৰুৱা, নীলোৎ স্বৰ্গীয়াৰী আৰু দাওবাইছা বড়ো সহ যথেষ্টসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কামৰূপৰ বংশৰত পথ নিৰ্মাণকাৰী

যমৰ যাতনাৰ সন্মুখীন হৈ আহিছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে। যাৰবাবে আজি স্থানীয় ৰাইজে দলং নিৰ্মাণকাৰী সংস্থাটোৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে উক্ত অঞ্চলেৰে চলাচল কৰা গধুৰ যান-বাহনৰ প্ৰৱেশত বাধা প্ৰদান কৰে। উল্লেখ্য, বংশৰ বৰোতল-বৰবাৰী-শ্ৰীহাটী সংযোগী এটা ঠেক সাধাৰণ মাত্ৰ ১৪ ফুটৰ ব্লক ইটাৰে নিৰ্মিত পথেৰে ২০-২২ চকীয়া অতি গধুৰ মালবাহী গাড়ী দিনে-নিশাই শ শ গধুৰ বাহন চলাচলত স্থানীয় ৰাইজে বিভিন্ন যমৰ যাতনা ভোগ কৰি আহিছে। ব্ৰহ্মপুত্ৰৰ শুৱালকুছি-পলাশবাৰী সংযোগী দলং নিৰ্মাণত জড়িত এল এণ্ড টি নামৰ নিৰ্মাণ সংস্থাটোৱে সামগ্ৰী কঢ়িয়াই নিয়াৰ নামত নিজ মইমতালিত দিনে নিশাই ১০০-২০০ গধুৰ যান-বাহন উক্ত পথৰে চলাচল কৰাত পকী পথ বিধস্ত হৈ পুখুৰী সদৃশ হৈ পৰিছে বুলি অভিযোগ স্থানীয় ৰাইজৰ। দলং নিৰ্মাণৰ নামত অহা এইসমূহ গধুৰ যান-বাহনৰ বাবেই ঘৰৰ পৰা ওলাব নোৱাৰাৰ পৰিবেশৰ সৃষ্টি কৰিছে ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজক। দৈনিক অতি গধুৰ যানবাহন দিনে -নিশাই চলাচল কৰাত প্ৰায়েই দুৰ্ঘটনা সংঘটিত হৈ আহিছে । গধুৰ যানবাহন আহিলেই সৰু পথটো সম্পূৰ্ণ বন্ধ হৈ পৰে যাৰফলত বহু ছাত্ৰ - ছাত্ৰী তথা সাধাৰণ ৰাইজ প্ৰায়েই দুৰ্ঘটনা সংঘটিত হৈ আহত হবলগীয়া হৈছে । কিছুদিন আগত উক্ত পথত এগৰাকী মটৰচাইকেল আৰোহীও দুৰ্ঘটনা পতিত হৈ মৃত্যুও হৈছে। ৰাইজে বাৰম্বাৰ অভিযোগ দিয়াৰ পিছতো কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষ তথা দলং নিৰ্মাণকাৰী সংস্থাৰ। বিধস্ত পথটোত ৰ'দ দিলে ধুলিৰ বাবে আৰু বৰষুণ দিলে বোকাময় হৈ পৰে পথছোৱা । যাৰবাবে স্থানীয় ৰাইজে ঘৰৰ পৰাই ওলাব নোৱাৰা পৰিবেশ সৃষ্টি হোৱাত স্থানীয় ৰাইজ অতিষ্ঠ হৈ দলং নিৰ্মাণকাৰী সংস্থা তথা লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে পথ বন্ধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে । যেতিয়ালৈকে পথছোৱা মেৰামতি নহয় উক্ত পথৰে গধুৰ যানবাহন চলাচল বন্ধ কৰি দিয়ে স্থানীয় ৰাইজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিক্ষাবিদ, সাহিত্যিক সুশীল বৰাৰ স্মৃতি

আমাৰ সংগ্ৰাম, আমাৰ সপোন আদিৰ সাৰমৰ্ম লেখনিৰ মাজেৰে অংকন কৰিছিল। বৰাৰ লেখাই সাধাৰণ মানুহৰ কণ্ঠত অনুৰণন ঘটোৱাৰ উপৰি সৃষ্টিশীল ৰচনাত আনন্দ, দুখ, আকাংক্ষাৰ প্ৰতিফলন ঘটিছিল। কবিতাৰ জৰিয়তে হওক, গদ্যৰ জৰিয়তে হওক বা নাটক ৰচনাৰ জৰিয়তে হওক, হৃদয় স্পৰ্শ কৰাৰ আৰু চিন্তাক উত্তেজিত কৰাৰ ক্ষমতা তেওঁৰ আছিল।'- এই মন্তব্য নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ । নগাঁও জিলাৰ কুজিদাঁহৰ নিবাসী বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা বহুকেইখন গ্ৰন্থৰ স্ৰষ্টা সুশীল বৰাৰ মঙলবাৰে আদ্যশ্ৰাদ্ধ উপলক্ষে নগাঁও জিলা সাহিত্য সভাৰ সৌজন্যত আৰু কুজিদাঁহ শাখা সাহিত্য সভাৰ উদ্যোগত বৰাৰ বাসগৃহত অনুষ্ঠিত স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰি ড° বৰকটকীয়ে সাহিত্যিক অৱদানৰ বাহিৰেও সুশীল বৰা এগৰাকী এগৰাকী গুৰু, এজন দয়ালু মানুহ হিচাপে তেওঁৰ নম্ৰতা, প্ৰজ্ঞা, সামাজিক আৰু সাংস্কৃতিক কামৰ প্ৰতি অটল দায়বদ্ধতাই তেওঁক আমাৰ সমাজৰ এক স্তম্ভ কৰি তুলিছিল বুলি দোহাৰি লেখক, সাহিত্যিক গৰাকীয়ে অগণন যুৱ মনক সাহিত্যক আকোৱালি ল'বলৈ আৰু সত্য, ন্যায়, মানৱতাৰ মূল্যবোধক ৰক্ষা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল বুলি তত্বগধুৰ বক্তব্য দাঙি ধৰে । সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু কুজিদাঁহ শাখা সাহিত্য সভাৰ সম্পাদিকা তৰুলতা বড়া হাজৰীকাই আঁত ধৰা সভাখনিৰ আৰম্ভণিতে 'নূপুৰ মোমাইদেউ' খ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই বন্তি প্ৰজ্জ্বলন কৰে। ডেৰ শতাধিকৰো অধিক লোক উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ সভাখনিত অৱসৰী অধ্যক্ষদ্বয় দধিমোহন বৰা আৰু ৰাণাপ্ৰকাশ বৰা, বিশিষ্ট জাতীয়তাবাদী নেতা দেৱ কুমাৰ বৰা, জিলা সাহিত্য সভাৰ ঐতিহ্য সংৰক্ষণ আৰু সংবৰ্ধন উপ সমিতিৰ উপ-সভাপতি সুৰজিৎ গোস্বামী, প্ৰেছ ক্লাব, বেবেজীয়াৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে প্ৰয়াত শিক্ষাবিদ-সাহিত্যিক গৰাকীৰ স্মৃতিচাৰণ কৰি বক্তব্য প্ৰদান কৰা সভাত অৰুণা বড়া, নিৰ্মালী বৰা আৰু নলীনী ভূঞাই কবিতা আবৃত্তি কৰে। ইলোৱা ভূঞাই সুশীল বৰা ৰচিত এটি গীত পৰিবেশন কৰি সকলোকে ম্ৰিয়মাণ কৰি তোলে। অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ গণিত বিভাগৰ শিক্ষক বৃন্দৰ উপৰি বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি নৰেশ্বৰ মহন্ত, সৰুকণ শইকীয়া, সাংবাদিক চন্দনজ্যোতি বৰা, স্কলাৰচ একাডেমীৰ অধ্যক্ষ পৰাগ কুমাৰ ডেকা, নগাঁও কুইজ ফ'ৰামৰ চন্দ্ৰজিত দাস, বৰ্ণালী বৰা প্ৰমুখ্যে বিশিষ্ট লোক সকলে অংশ গ্ৰহণ কৰে। শেষত প্ৰাক্তন অধ্যাপক মোহিনী মোহন ডেকাৰ শলাগৰ শৰাইৰে সভাৰ সমাপ্তি ঘটে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী কৌশিক ৰায়ৰ কাটিগড় আৰু

ভ্ৰমণ কৰে। উন্নয়নৰ গতি আৰু গভীৰ প্ৰশাসনিক দায়বদ্ধতাক মনত ৰাখি তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে প্ৰত্যক্ষ আদান-প্ৰদানত অংশগ্ৰহণ কৰে, যিটো বৰ্তমান চৰকাৰৰ মানৱীয় আৰু উন্নয়নমূলক প্ৰশাসনৰ এক উজ্জ্বল নিদৰ্শন। এই ভ্ৰমণৰ আৰম্ভণিতে হাজাৰ হাজাৰ লোকৰ দৈনিক অহা-যোৱাৰ মেৰুদণ্ড কাটিগড়ৰ গামন দলং পৰিদৰ্শন কৰা হয়। বৰ্তমান সংস্কাৰৰ কাম চলি থকা এই দলংখনৰ কাম যাতে দ্ৰুত আৰু নিৰাপদ পদ্ধতিৰে সম্পূৰ্ণ হয় তাৰ বাবে সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক কঠোৰ নিৰ্দেশ দিয়ে মন্ত্ৰী ৰায়ে। মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যক্ষ তত্বাৱধানত এই প্ৰকল্পৰ অগ্ৰগতি চৰকাৰৰ দায়িত্ব আৰু দায়বদ্ধতা বুলি উল্লেখ কৰে। স্থানীয় ৰাইজৰ সৈতে মত বিনিময়ৰ সময়ত মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে অহা ২৯ মে'ৰ পৰা জনসাধাৰণৰ বাবে বিকল্প পৰিবহণ ব্যৱস্থা হিচাপে বিনামূলীয়া ফেৰী সেৱা আৰম্ভ কৰা হ'ব। পিছত শিলচৰৰ শ্ৰীকোনাত নিৰ্মাণ হৈ থকা বৰাক উপত্যকা সচিবালয় পৰিদৰ্শন কৰে। ৰাজহুৱা কাম বিভাগৰ সৈতে হোৱা বৈঠকত তেওঁ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ আৰু কয় যে মুখ্যমন্ত্ৰীৰ সদিচ্ছাৰে এই প্ৰকল্পৰ নাম সলনি কৰি 'বৰাক উপত্যকা সচিবালয়' কৰা হৈছে, যিটো বৰাকবাসীৰ আত্মসন্মান আৰু সপোনৰ প্ৰতীক হৈ পৰিব। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ ৫০০ বিছনাযুক্ত নতুন চিকিৎসালয় ভৱনৰ আন্তঃগাঁথনি আৰু সেৱা ব্যয়ৰ পৰ্যালোচনা কৰে। লগতে সংহত উপায়ুক্তৰ কাৰ্যালয় প্ৰকল্পৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰি দায়িত্বশীল ব্যক্তিসকলক সময়মতে কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। দিনটোৰ ভ্ৰমণৰ শেষত তেওঁ শিলকুৰি অধিৱেশন কেন্দ্ৰ পৰিদৰ্শন কৰি ভৱিষ্যতৰ সাংস্কৃতিক কাৰ্যসূচীত ইয়াৰ সম্ভাব্য ব্যৱহাৰৰ বিষয়ে কয়। মন্ত্ৰী কৌশিক ৰায়ৰ এই সুচিন্তিত আৰু আন্তৰিক প্ৰচেষ্টাই বৰাকৰ ৰাইজৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছে। তেওঁৰ নেতৃত্বত উন্নয়ন, প্ৰশাসনিক কাৰ্যকলাপ, জনসেৱাৰ প্ৰতি তেওঁৰ অটল দায়বদ্ধতাৰে বৰাক উপত্যকা নতুন দিগন্তৰ দিশে আগবাঢ়িছে। ভ্ৰমণৰ সময়সূচী অনুসৰি বুধবাৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ নৱনিৰ্মিত কনফাৰেন্স ৰুমত বান ব্যৱস্থাপনা সম্পৰ্কীয় পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব কৌশিক ৰায়ে আৰু সেইদিনা দুদিনীয়া কাছাৰ জিলা ভ্ৰমণ সামৰি গুৱাহাটীলৈ উভতি যাব।

# ৰাষ্ট্ৰপতিৰ হাতৰ পৰা পদ্মভূষণ গ্ৰহণ যতীন গোস্বামীৰ

**ই-সংবাদ, ২৭ মে':** অসমৰ দুই সংস্কৃতিক সাধক আৰু এগৰাকী শিক্ষাবিদে আজি অসামৰিক অন্যতম সন্মান 'পদ্মভূষণ' আৰু 'পদ্মশ্ৰী' গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এক ঐতিহাসকি অনুষ্ঠানত তিনি সাধকে পদ্মসন্মান গ্ৰহণ কৰিছে। ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নৃত্যাচাৰ্য যতীন গোস্বামীক পদ্মভূষণ আৰু ৰেৱকান্ত মহন্ত আৰু গীতা উপাধ্যায়ক পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰে। এই বঁটাসমূহ তেওঁলোকৰ কলা, সাহিত্য আৰু শিক্ষাক্ষেত্ৰত অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰদান কৰা হয়। প্ৰবীণ সত্ৰীয় নৃত্যশিল্পী নিত্যাচাৰ্য যতীন গোস্বামীক ভাৰতৰ তৃতীয় সৰ্বোচ্চ অসামৰিক বঁটা পদ্মভূষণেৰে সন্মানিত কৰা হয়। সত্ৰীয় নৃত্যৰ সংৰক্ষণ, উন্নয়ন আৰু জনপ্ৰিয় কৰাত বৃহৎ অৱদান আগবঢ়াইছে। ১৯৩৩ চনৰ ২ আগষ্টত জন্মগ্ৰহণ কৰা গোস্বামীয়ে প্ৰথমে নিজ পিতৃৰ তত্বাৱধানাত নৃত্য শিক্ষা আৰম্ভ কৰিছিল। পিছলৈ মণিৰাম দত্ত মুখতিয়াৰ আৰু ৰোযেশ্বৰ শইকীয়া বৰবায়ন আদি প্ৰখ্যাত গুৰুসকলৰ ওচৰত প্ৰশিক্ষণ লাভ কৰে। তেওঁ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ওচৰত শাস্ত্ৰীয় সংগীত, লোক-নৃত্য আৰু অংকীয়া নাটৰ প্ৰশিক্ষণ লৈছিল। অংকীয়া নাটকক পুনৰুজ্জীৱিত কৰি আধুনিক ৰূপ প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা যতীন গোস্বামীয়ে প্ৰাগজ্যোতি কলা পৰিষদ প্ৰতিষ্ঠা কৰি অসমৰ বিভিন্ন সত্ৰ আৰু নামঘৰত চৰ্চা কৰিছিল। তেওঁ সংগীত নাটক একাডেমী, আইচিচিআৰ আদিৰ সদস্য হিচাপে দায়িত্ব পালন কৰিছে।২০০৮ চনত পদ্ম শ্ৰী, ২০০৪ চনত সংগীত নাটক একাডেমী বঁটা, ২০১৭ চনত কালিদাস সন্মান, ২০১৯ একাডেমী ৰত্ন ফেলশ্বিপ আদি বঁটাৰে সন্মানিত কৰা হৈছে। পদ্মশ্ৰী সন্মান লাভ কৰা ৰেৱকান্ত মহন্তই শিৱসাগৰৰ খাটপৰা সত্ৰৰ সত্ৰাধিকাৰ। ৰেৱকান্ত মহন্তক মুখা-ভাওনাৰ অনন্য কলা তথা মুখা নিৰ্মাণৰ ক্ষেত্ৰত অসাধাৰণ অৱদানৰ বাবে পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়। ১৯৩৫ চনৰ ১৯ এপ্ৰিলত জন্মগ্ৰহণ কৰা মহন্ত পৰিয়ালৰ এই সংস্কৃতি আগবঢ়াই নিয়া উত্তৰাধিকাৰী। আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ নিছে। তেওঁ নিৰ্মাণ কৰা মুখাসমূহ ভাৰত, ৰাছিয়া, জাপান, অষ্ট্ৰেলিয়া, আৰু আমেৰিকাৰ বিভিন্ন সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। তেওঁ ২০১৫ চনত সংগীত নাটক একাডেমী বঁটা, ২০১৯ বিষ্ণু ৰাভা ৰাষ্ট্ৰীয় বঁটা, বহু প্ৰতিষ্ঠানে সন্মান প্ৰদান কৰিছে। পদ্মশ্ৰী লাভ কৰা গীতা উপাধ্যায় প্ৰখ্যাত লেখিকা, অনুবাদক আৰু শিক্ষাবিদ। গীতা উপাধ্যায়ক সাহিত্য আৰু শিক্ষাক্ষেত্ৰত তেওঁৰ অৱদানৰ স্বীকৃতি স্বৰূপে পদ্মশ্ৰী প্ৰদান কৰা হয়। ১৯৩৯ চনৰ ১৪ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা উপাধ্যায় অসমৰ গোৰ্খা সম্প্ৰদায়ৰ পৰা প্ৰথম মহিলাৰূপে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তেওঁ শিৱসাগৰ মহাবিদ্যালয়ৰ ৰাজনৈতিক বিজ্ঞান বিভাগত অধ্যাপক আৰু বিভাগীয় অধ্যক্ষ হিচাপে তিনিটা দশক কাম কৰিছিল।

# সৃজনগ্ৰাম শিক্ষাখণ্ডত টাটা ট্ৰাষ্টৰ চি এম এলৰ শৈক্ষিক সমল প্ৰদৰ্শনী আৰম্ভ

**ই-সংবাদ, উত্তৰ শালমাৰা, ২৭ মে:** টাটা ট্ৰাষ্টৰ চেণ্টাৰ ফ'ৰ মাইক্ৰ' ফাইনেঞ্চ চমুকৈ চি এম এলৰ দ্বাৰা বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ১৫০ খন বিদ্যালয়ত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে শৈক্ষিক সহযোগিতা আগবঢ়াই আহিছে। এই শৈক্ষিত সহযোগিতাৰ অংশ হিচাপে আজি শিক্ষাখণ্ডটোৰ কেৰখাবাৰী ৰতনপুৰ মজলীয়া বিদ্যালয়ত চি এম এলে শৈক্ষিক সহযোগিতাৰ বাবে কৰা কামসমূহৰ হাতে কামে কৰি বিভিন্ন কাৰ্যকলাপৰ প্ৰদৰ্শন কৰে। চি এম এলৰ সমল ব্যক্তি পাপৰি কলিতাৰ নেতৃত্বত গাজালা উমৰ আৰু তেওঁৰ সহকৰ্মী শৈক্ষিক সহায়ক সকলোৰ সহযোগত আয়োজন কৰা পাঠভিত্তিক প্ৰদৰ্শনীত বিভিন্ন কাৰ্যকলাপৰ প্ৰদৰ্শন কৰা হয়। আজিৰেপৰা তিনিদিনীয়াকৈ কেৰখাবাৰী ৰতনপুৰ মজলীয়া বিদ্যালয়ত আয়োজন কৰা এই শৈক্ষিক সমল প্ৰদৰ্শনীত বিভিন্ন বিদ্যালয়ৰ বাছনিকৃত শিক্ষক শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। শৈক্ষিক সমল প্ৰদৰ্শনীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিৎ বায়ন। শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত শিক্ষা বিষয়াগৰাকীয়ে সকলোকে শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে চি এম এলে প্ৰদৰ্শন কৰা ভাষাৰ ক্ষেত্ৰত চাৰিটা ব্লক ব্যৱহাৰ, গণিতৰ ক্ষেত্ৰত শিক্ষণ-শিকন সঁজুলিৰ ব্যৱহাৰ আৰু পুথিভঁড়ালৰ কিতাপৰ ব্যৱহাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কিতাপ অনা-নিয়া ব্যৱস্থা আদি আয়ত্ত কৰি নিজ নিজ বিদ্যালয়ত প্ৰয়োগ কৰিবলৈ অনুৰোধ জনায়। আন্তৰাষ্ট্ৰীয় বঁটাপ্ৰাপক শিক্ষক ড° ছিৰখাত হুছেইনে আঁতধৰা আজিৰ এই অনুষ্ঠানত সমল ব্যক্তি জাহিদুল ইছলাম, ছফিউল ইছলাম, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক বাধন সৰকাৰ, চি এম এলৰ সমল ব্যক্তি পাপৰি কলিতা, গাজালা উমৰকে ধৰি ১২ গৰাকী শৈক্ষিক সহযোগী উপস্থিত থাকে। উল্লেখযোগ্য যে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অধীনত ১৫০ খন বিদ্যালয়ত বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতা চমুকৈ এফ এল এন আৰু পুথিভঁড়ালৰ বাবে বিভিন্ন গ্ৰন্থ যোগান আৰু পঠনৰ অভ্যাস গঠনৰ সহযোগিতাৰ ওপৰত চি এম এলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কাৰ্যৰত হৈ আছে। এই প্ৰকল্পটোৰ যোগেদি চি এম এলৰ ১৫ গৰাকী শৈক্ষিক সহযোগীয়ে বচা বচা বিদ্যালয়লৈ গৈ বুনিয়াদী স্বাক্ষৰতা আৰু সাখ্যিকতা চমুকৈ এফ এল এনৰ ভাষা, গণিত আৰু পুথিভঁড়ালৰ ওপৰত পাঠ আদান-প্ৰদানৰ প্ৰদৰ্শন কৰি আহিছে। অহা ২৯ মে'ত সামৰণি পৰিবলগীয়া এই শৈক্ষিক সমল প্ৰদৰ্শনীত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ৭৫ খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰিব।

# গোলকগঞ্জৰ ডিমাকুৰীত ভূ-মাফিয়া জোন আলীৰ দপদপনি

## জাণ্ডু কনষ্ট্ৰাকছনৰে মিলি গংগাধৰ নৈত চলাইছে অবৈধ খনন






**ই-সংবাদ, গোলকগঞ্জ, ২৭ মে'ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ডিমাকুৰী গাঁৱত আজি চৰকাৰী মাটিত জাণ্ডু কনষ্ট্ৰাকছনৰে মিলি ভূ-মাফিয়াই চৰকাৰী মাটিত অবৈধ খনন কৰি সৰ্বসাধাৰণ ৰাইজৰ যাতায়াত-যোগাযোগ বন্ধ কৰাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গাঁওখনৰ জোন আলীয়ে জাণ্ডু কনষ্ট্ৰাকছনৰে মিলি গংগাধৰ নদীত ছমাহ ধৰি ব্যাপক হাৰত খনন কাৰ্য্য চলাই আহিছে। প্ৰকাণ্ড প্ৰকাণ্ড ফকলেণ্ড, এচকেভেটৰেৰে গংগাধৰ নদীত বালি খনন কৰি ডাম্পাৰেৰে চাৰিলেণ্ডযুক্ত পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰি আহিছে। অবৈধভাৱে চলোৱা বালি খননৰ বাবেই আগন্তুক বাৰিষাৰ দিনত গৰাখহনীয়া বৃদ্ধি পাব। আসন্ন বিপদৰ উমান পাই স্থানীয় দল-সংগঠনে বহু প্ৰতিবাদ কৰা সত্বেও গুৰুত্ব দিয়া নাই প্ৰশাসন। জাণ্ডু কনষ্ট্ৰাকছন কোম্পানীৰ ক্ষমতাৰে অধিক বলীয়ান হৈ পৰিছে ভূ-মাফিয়া জোন আলী। নিজৰ ক্ষমতা প্ৰদৰ্শন কৰি বন্ধ কৰি দিছে চৰত বসবাস কৰা লোকৰ যোগাযোগৰ একমাত্ৰ পথটো। জোনে কালি অনধিকাৰ চৰ্চা কৰি চৰকাৰী মাটিত জেওৰা দি ৰাইজৰ চলাচল বন্ধ কৰি দিয়ে। সাধাৰণ ৰাইজ বুলিয়ে নহয় কালি জেওৰাৰ কাষেৰে পাৰ হৈ স্কুল লৈ গৈ থকা কণ কণ ছাত্ৰ-ছাত্ৰীক জোনে ডিঙি কাটিবলৈ বুলি খেদি যায়। ইয়াকে লৈ অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ইয়াৰ মাজতে আজি আকৌ জাণ্ডু কনষ্ট্ৰাকছনৰ এখন ফকলেণ্ড লগাই চৰকাৰী মাটিত পুখুৰী সদৃশ গাত খান্দি ৰাইজৰ চলাচল বন্ধ কৰি দিয়ে। ইয়াৰ প্ৰতিবাদত আজি ধুবুৰী জিলা পশ্চিম আক্ৰাছুৰ সভাপতি শ্যাম ৰায়ৰ নেতৃত্বত স্থানীয় ৰাইজ খনন কাৰ্যত বাধা প্ৰদান কৰে। খবৰ পাই গোলকগঞ্জ সম জিলাৰ উপ- আয়ুক্ত কপিল দাস উপস্থিত হৈ খনন কাৰ্য বন্ধ কৰি দিয়ে। অতিশীঘ্ৰে জাণ্ডু কনষ্ট্ৰাকছন কোম্পানীৰ অবৈধ খনন বন্ধ কৰাৰ লগতে গাঁওখনত আশ্ৰয় লোৱা কোচ-ৰাজবংশী জনগোষ্ঠী লোকৰ যাতায়াত-যোগাযোগ বন্ধ কৰাৰ মৰসাহ কৰা ভূ-মাফিয়া জোনৰ বিৰুদ্ধে প্ৰশাসনক শীঘ্ৰে ব্যৱস্থা লোৱাৰ বাবে আক্ৰাছুৱে দাবী জনাইছে। অন্যথা গোলকগঞ্জ-শৌলমাৰী পথ বন্ধৰ ভাবুকি দিছে।

# চাপৰত নিষিদ্ধ ব্ৰাউন ছুগাৰসহ দুজন আটক

**ই-সংবাদ, চাপৰ, ২৭ মে':** ধুবুৰী জিলাৰ চাপৰ তথা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত চলিছে নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া বেহা। একাংশ দুষ্ট চক্ৰয় চলাই যোৱা এই ৰমৰমীয়া বেহাৰ ফলত সৰ্বহাৰা হৈ পৰিছে বহু পৰিয়াল। কোনোবা হয়তো ধন-সম্পত্তি হেৰুৱাই সৰ্বহাৰা হৈ পৰিছে আনপিনে কোনোবা নিজৰ আপোন জনক হেৰুৱাই সৰ্বহাৰা হৈ পৰিছে। তথাপি গা ল'ৰা নাই সন্তীয়া ধন ঘটোৱা দুষ্ট চক্ৰৰ।আজি চাপৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে এক যৌথ অভিযান চলায়। চাপৰ আৰেয়াৰঝাৰস্থিত তেল ডিপোৰ সমীপত এখন টেম্পোত অভিযান চলোৱাত যাত্ৰী হৈ অহা দুজন যুৱকৰ পৰা নিষিদ্ধ ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ব্যৱসায়ী দুজন ক্ৰমে চাপৰৰ মৌৱাটাৰীৰ লকমান আলী আৰু বক্কাৰ আলী বুলি জানিব পৰা গৈছে। অভিযানত উদ্ধাৰ হোৱা ব্ৰাউন ছুগাৰৰ ওজন ১১ গ্ৰাম বুলি জানিব পৰা গৈছে। ঘটনা সংক্ৰান্তত চাপৰ আৰক্ষীয়ে ইতিমধ্যে তদন্ত অব্যাহত ৰাখিছে। চাপৰ তথা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত ড্ৰাগছৰ ব্যৱসায় কৰা সমূহ ব্যৱসায়িক আটক কৰিবলৈ আৰক্ষীক আহ্বান জনাইছে সচেতন মহলে।



# ডিব্ৰুগড় জিলা সাহিত্য সভা ভৱনত প্ৰয়াত শিল্পী গায়ত্ৰী হাজৰিকাক সশ্ৰদ্ধ স্মৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ মে'ঃ** শিল্পী গায়ত্ৰী হাজৰিকা কায়িকভাৱে নাথাকিলেও তেওঁ সংস্কৃতিৰ পথাৰখনত সদায় চিৰসেউজ হৈ থাকিব। 'সৰা পাতে পাতে ফাগুন নামে' 'জোনাক নাছিল বনত', 'আবেলিৰ হেঙুলী আকাশে', 'মাথো এজাক বৰষুণ', 'তোমালৈ মোৰ মৰম' আদি চিৰসেউজ গীতৰ বাবে সদায় অমৰ কৰি ৰাখিব অসমীয়াৰ হৃদয়ত। গায়ত্ৰী হাজৰিকা থকা হ'লে অসমবাসীৰ বাবে আৰু বহুতো দি গ'লহেঁতেন। ডিব্ৰুগড় সাহিত্য সভা ভৱনত প্ৰয়াত গায়ত্ৰী হাজৰিকাৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ এগৰাকী বিশিষ্ট সংগীতজ্ঞ, আকাশবাণীৰ শিল্পী ৰাজেন গোঁহাইয়ে এনেদৰে কয়। আনহাতে, গায়ত্ৰী হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিশিষ্ট সংগীতজ্ঞ গীতিকাৰ প্ৰশান্ত বৰদলৈয়ে বাকহীন হৈ পৰা বুলি উল্লেখ কৰি গায়ত্ৰী হাজৰিকাৰ দৰে এগৰাকী শিল্পী অসমে হেৰুৱাব লগাটো এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি গায়ত্ৰী হাজৰিকাক বিভিন্ন সময়ত পোৱা সান্নিধ্যক শ্ৰদ্ধাৰে সোঁৱৰি নৱপ্ৰজন্মক তেওঁৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ডিব্ৰুগড় শিল্পী সমাজৰহৈ জ্যেষ্ঠ শিল্পী সুৰেশ হাতীমুৰীয়াই আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভা তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই উপস্থিত থাকি শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি খুব কম সংখ্যক গীতৰ জৰিয়তে গায়ত্ৰী হাজৰিকাই অসমতেই নহয়, বিশ্বৰ বিভিন্ন কোনত থকা অসমীয়া সকলৰ হৃদয়ত সাজ বহুৱাবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। লগতে বৰ্তমান সময়ত একাংশ শিল্পীয়ে যি শব্দ আৰু সুৰ প্ৰয়োগ কৰে, যি গীত ঘৰৰ কণিষ্ঠ-জ্যেষ্ঠ সকলোৰে একেলগে শুনাৰ পৰিবেশ নাথাকে, তেনেসকল শিল্পীতকৈ সম্পূৰ্ণ পৃথক আছিল গায়ত্ৰী হাজৰিকা বুলি উল্লেখ কৰি গায়ত্ৰী হাজৰিকাই প্ৰকৃতাৰ্থত গানৰ জৰিয়তে সম্প্ৰীতি আৰু সমন্বয়ৰ ভেটি গঢ়ি যোৱা বুলি কয়। উল্লেখযোগ্য যে যোৱা ১৬ মে'ত চিকিৎসাধীন অৱস্থাত আকস্মিক মৃত্যু হোৱা কণ্ঠশিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ডিব্ৰুগড়ৰ ডলী গগৈ বৰুৱা, জুপিতৰা কাকতি,বিনন্দ কাকতি, বিপুল ফুকন, পদুম বৰগোহাঁই, সদেৰজিৎ গগৈ, ৰতন গগৈ, জুপিতৰা বৰঠাকুৰকে প্ৰমুখ্যে কৰি কেইবাগৰাকীও উদীয়মান কণ্ঠশিল্পী, বাদ্যযন্ত্ৰী আদি উপস্থিত থাকি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# এছ অ' পি উলংঘা কৰা বাহনৰ বিৰুদ্ধে মৰিগাঁৱত প্ৰশাসনৰ অভিযান

**ই-সংবাদ, লাহৰীঘাট ২৭ মে':** বাণিজ্যিক বাহনৰ চলাচল আৰু পাৰ্কিঙৰ নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে আজি মৰিগাঁৱত জিলা প্ৰশাসন আৰু আৰক্ষীয়ে যৌথভাৱে এক অভিযান চলায়। মৰিগাঁৱৰ চক্ৰ বিষয়া, মৰিগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া, জিলা পৰিবহণ বিষয়া আৰু আৰক্ষীয়ে চলোৱা এই অভিযানকালত অভিযানকাৰী দলটোৰ কেইবাখনো বাহনে ২০২৪ চনৰ ১৫ নৱেম্বৰত মৰিগাঁৱৰ জিলা আয়ুক্তই জাৰি কৰা এছ অ' পি উলংঘা কৰা দৃষ্টিগোচৰ হয়। অভিযানকালত জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই পথৰ দাঁতিত বিপজ্জনকভাৱে ৰাখি থোৱা কেইবাখনো বাণিজ্যিক বাহনৰ বিৰুদ্ধে জৰিমনা বিহা হয়। উল্লেখ্য যে যোৱা বছৰৰ ১৫ নৱেম্বৰত মৰিগাঁও জিলা প্ৰশাসনে বাণিজ্যিক বাহন আৰু বিভিন্ন ধৰণৰ ৰিক্সা চলাচলৰ বাবে কেতবোৰ মানবিশিষ্ট পৰিচালন নিয়মাৱলী (এছ অ' পি) জাৰি কৰিছিল। এই এছ অ' পিত ঘনকান্ত বৰুৱা মহাবিদ্যালয় চাৰিআলিৰ বাহিৰত (মৰিগাঁও-জাগীৰোড পথ), গুৰুকুল আৰু এম বি পাৰ্ক চাৰিআলি (মৰিগাঁও-নগাঁও ৰোড)ৰ বাহিৰত, এম বি ৰোড, লঠাবড়ী বিষ্ণু মন্দিৰ চাৰিআলিৰ বাহিৰত আৰু মৰিগাঁও দমাল পথ,



উষা চাৰিআলিৰ বাহিৰত বাছ, টেম্পো, ট্ৰেভেলাৰ, মেজিক আদি বাহনৰ বাবে নিৰ্দিষ্ট আস্থান আবন্টন দিয়া হৈছিল। এই নিৰ্দিষ্ট আস্থানৰ পৰা মৰিগাঁও নগৰৰ ভিতৰত এইসমূহ বাহনৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছিল। একেদৰে ই-ৰিক্সা, ই-কাৰ্ট, একক বেটাৰী ৰিক্সা আদিৰ চলাচল মৰিগাঁও নগৰৰ মূল পথত আৰু কেতবোৰ স্থানত নিষিদ্ধ কৰা হৈছিল। প্ৰশাসনে পুনৰ এবাৰ বাণিজ্যিক বাহনৰ চালকসকলক এই নিয়মসমূহ কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে, যাতে মৰিগাঁও চহৰখনত সুৰক্ষিত আৰু যান-জঁটমুক্ত পৰিৱেশ নিশ্চিত কৰিব পৰা যায়। অনাগত সময়তো এনে অভিযান অব্যাহত থাকিব।

# কেইবাটাও কাৰ্যসূচীৰে বৰক্ষেত্ৰীত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

**ই-সংবাদ, মুকালমুৱা, ২৭ মে'ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীত মংগলবাৰে দিনজোৰা কাৰ্যসূচী লৈ উপস্থিত হয় অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। কাৰ্যসূচী অনুসৰি প্ৰথমতে দুপৰীয়াৰ ভাগত দৌলাশালত উপস্থিত হয় মন্ত্ৰীগৰাকী। দৌলাশাল উন্নতি সাধিনী সভাৰ কাৰ্যালয়ত উপস্থিত হৈ ৰাইজৰ স'তে মত বিনিময় কৰে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ পাছতেই দৌলাশালত নিৰ্মাণ কৰা চিএলএফ কাৰ্যালয়ত উপস্থিত হৈ মহিলা-সকলৰ সকলৰ স'তে মত বিনিময় কৰে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। ইয়াৰ পাছতেই মন্ত্ৰীগৰাকী মুকালমুৱালৈ ৰাওনা হয়। মুকালমুৱাতো কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে মন্ত্ৰীগৰাকী। বৰক্ষেত্ৰী উন্নয়ন খণ্ডত বিষয়াসকলৰ স'তেও এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। মন্ত্ৰী ৰনজিৎ কুমাৰ দাসক সংগ দিয়ে বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ন ডেকাই।

# মান্দাকাটাৰ সমীপৰ বাঁহগড়াত উৰুচ উদযাপন

**ই-সংবাদ, দুমুনিচকী ২৭ মে':** ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মান্দাকাটাৰ সমীপৰ বাঁহগড়াস্থিত মহান চুফী গুৰু হজৰত হাফিজ ৰহমান আলী শ্বাহ চফৱীৰ পবিত্ৰ মাজাৰ প্ৰাঙ্গনত বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি ৪৬ তম্ উৰুছ মোবাৰক উদ্‌যাপন হয়। পৰিচালনা সমিতিয়ে জনোৱা অনুসৰি ৰাতিপুৱা পতাকা উত্তোলনৰে কাৰ্য্যসুচী আৰম্ভ কৰা হয়। ইয়াৰ পিছতে মাজাৰত চাদৰ পৰিধান কৰা কাৰ্য্যসুচী সমুহ পৰিচালনা কৰে চুফী গুৰু হজৰত ডা: জাকিৰ আলী শ্বাহ চফবী চাহেবে । লগতে উপস্থিত থাকে অসমীয়া জিকিৰ আৰু জাৰি বিষয়ত ডক্তৰেট ডিগ্ৰী লাভ কৰা ডঃ ভুবনেশ্বৰ ডেকা । একেখন অনুষ্ঠানতে ডা: জাকিৰ আলী শ্বাহ চফবীৰ সম্পাদিত 'পূৰ্বজ্যোতি' নামৰ এখনি স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। দুপৰীয়া ফাতিহা আৰু দোৱা আৰু নিয়াজ বিতৰণ কৰি সন্ধিয়া জিকিৰ কাৱালীৰ অনুষ্ঠানেৰে উৰুছ মোবাৰক কাৰ্যসূচী সামৰণি পৰে ।

# বাক্সাত জিলা স্বাস্থ্য বিভাগৰ পৰ্যালোচনা বৈঠক

**ই-সংবাদ, মুছলপুৰ, ২৭ মে':** বাক্সা জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি মুছলপুৰ জিলা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত প্ৰসূতিৰ প্ৰসৱকালীন আৰু প্ৰসৱোত্তৰ যত্ন, টীকাকৰণ আদিৰ দৰে মুখ্য স্বাস্থ্য সচেতনতামূলক বিষয়সমূহৰ ওপৰত এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বাক্সা জিলাৰ অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) জিতুৰাজ গগৈৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত প্ৰসূতিসকলৰ পঞ্জীয়ন নিশ্চিত কৰা, প্ৰসৱৰ সময়ত উন্নতমানৰ সা-সঁজুলিৰ ব্যৱহাৰ কৰা, ভিতৰুৱা অঞ্চলসমূহত টীকাকৰণৰ গতি বৃদ্ধি কৰা, ফ্ৰন্টলাইন পৰ্যায়ৰ কৰ্মচাৰীৰ দ্বাৰা তথ্য সংগ্ৰহ আৰু প্ৰতিবেদন উন্নত কৰা, সমূহীয়া স্বাস্থ্য বিষয়া আৰু এ এন এমৰ জৰিয়তে গাঁও অঞ্চলত স্বাস্থ্য সজাগতা বৃদ্ধি কৰা আদি বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয় । আজিৰ এই পৰ্যালোচনা বৈঠকত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক, এন এইচ এমৰ জিলা আঁচনি বিষয়া, জিলা টীকাকৰণ বিষয়াকে ধৰি জিলাখনৰ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে ।

# ৫ ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া কোচিঙৰ সুবিধা বিধায়ক জলেন দৈমাৰীৰ

**ই-সংবাদ, তামুলপুৰ, ২৭ মে'ঃ** তামুলপুৰ বিধানসভাৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে সমষ্টিটোৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীৰ বাবে এটা সু-খবৰ কঢ়িয়াই আনিছে। গুৱাহাটীৰ SPM LALAN'S কোচিং চেণ্টাৰত নীট পৰীক্ষাৰ বাবে ১১ মহীয়া প্ৰশিক্ষণ দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে বিধায়ক জলেন দৈমাৰীয়ে। প্ৰশিক্ষণ গ্ৰহণ কৰাৰ বাবে তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত শিক্ষিত ছাত্ৰ-ছাত্ৰীক আবেদন কৰিবলৈ আহ্বান জনাইছে। 7099078514 নম্বৰৰ WhatsApp যোগে মেচেজ কৰি আবেদন কৰিব পাৰিব ছাত্ৰ-ছাত্ৰীসকলে। অহা ৬ জুন তাৰিখে আবেদন কৰাৰ অন্তিম দিন আৰু ৮ জুন তাৰিখে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাচনি পৰীক্ষা অনুষ্ঠিত কৰি নীট পৰীক্ষাৰ বাবে তামুলপুৰ বিধান সভা সমষ্টিৰ ৫ জন ছাত্ৰ-ছাত্ৰীক বাচনি কৰা হ'ব। বাচনি পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক গুৱাহাটীৰ উক্ত কোচিং চেণ্টাৰটোত প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি বিধায়কজনে ঘোষণা কৰে।

# চামগুৰিত বিলাসী বাহনসহ লক্ষাধিক টকাৰ ড্ৰাগছ জব্দ, এজনক আটক

**ই-সংবাদ, পুৰণিগুদাম, ২৭ মে':** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি পুৱা ভেলেউগুৰি দক্ষিণপাট অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই এখন বিলাসী গাড়ীসহ কেইবা লক্ষাধিক টকাৰ ড্ৰাগছ জব্দ কৰাৰ লগতে এজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ নেতৃত্বত এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত আজি পুৱা ভেলেউগুৰি দক্ষিণপাট অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত হোজাইৰ পৰা তেজপুৰ অভিমুখে আহি থকা এ-এছ- ১২- এম- ৬৫৮৭ নম্বৰৰ বিলাসী গাড়ীখনত আৰক্ষীৰ দলটোৱে অভিযান চলাই ৩০ টা ড্ৰাগছ ভৰ্তি চাবোনৰ বাকছ জব্দ কৰাৰ লগতে হোজাইৰ নীলবাগানৰ নজৰুল ইছলাম



নামৰ ড্ৰাগছ সৰবৰাহকাৰী এজনক আটক কৰে। আৰক্ষীয়ে আজি ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই জব্দ কৰা ড্ৰাগছখিনিৰ আনুমানিক মূল্য প্ৰায় ১৮ লক্ষাধিক টকা হ'ব বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।আনহাতে, আজি আৰক্ষীয়ে ড্ৰাগছসহ আটক কৰা ড্ৰাগছ সৰবৰাহকাৰীজনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# বৰপেটাত অপাৰেশ্যন সিন্দুৰৰ অভিনন্দন যাত্ৰা আৰু সমাৰেশ

**ই-সংবাদ, বৰপেটাৰোড, ২৭ মে:** অপাৰেশ্যন সেন্দুৰৰ সফলতাত ভাৰতীয় সেনাৰ প্ৰতি কৃতজ্ঞতাৰ উদ্দেশ্যে সোমবাৰে বৰপেটা সাহিত্য সভা ভৱনত সচেতন মহিলা মঞ্চৰ উদ্যোগত অপাৰেশ্যন সিন্দুৰ সফলতাৰ হেতু অভিনন্দন যাত্ৰা তথা সমাৰেশ উলিয়াৰ লগতে এখন সভা অনুষ্ঠিত কৰা হয়, সভাৰ পৰিচালনা আৰু উদ্দেশ্য ব্যাখ্যাৰ লগত সংগতি ৰাখি কবিতা আবৃত্তি কৰে বৰপেটা জিলা মহিলা সমন্বয় মঞ্চৰ সংযোজিকা স্বপ্না দেৱী দাসে। নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা বিনয়া বালা ডাকুৱাই। সভাৰ আৰম্ভণিতে সন্ত্ৰাসবাদী গুলীত নিহত আৰু দেশৰক্ষাৰ স্বাৰ্থত আত্মবলিদান দিয়া বীৰ শ্বহীদক সোঁৱৰণ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰি পূৰ্ণতা মন্ত্ৰ পাঠ কৰা হয়। ইয়াৰ পিছতেই কেবা শতাধিক মহিলাই হাতে হাতে জাতীয় পতাকা লৈ ভাৰতীয় সৈনিক জিন্দাবাদ, ভাৰত মাতা কি জয় আদি শ্লোগানৰে মুখৰ হৈ পৰে বৰপেটা চহৰ। উক্ত অনুষ্ঠানত মাতৃ ভাৰতী,বিদ্যা ভাৰতী, মাতৃ শক্তি, সেৱিকা সমিতি, লেখিকা সমাৰোহ, সংস্কৃতি কৰ্মী আদিৰ লগতে উদ্যোগী ব্যৱসায়ী আৰু বিভিন্ন সংগঠনৰ লগত জড়িত মহিলা মৰ্চাৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

# বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ নামভৰ্তি সহায়ক কেন্দ্ৰ মুকলি

**ই-সংবাদ, বাঁহজানী , ২৭ মে':** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষানীতিৰ আধাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ স্নাতক প্ৰথম ষান্মাসিক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে বৃহত্তৰ বাঁহজানী অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে অময়াপুৰ এলেংগীদলস্থিত জুনু ডেকা সোঁৱৰণী পুথিভঁড়ালত বিনামূলীয়া নামভৰ্তি সহায়ক কেন্দ্ৰ মুকলি কৰা হয়। বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰী সকলৰ যাৱতীয়া তথ্যসমূহৰ লগতে প্ৰ-পত্ৰ পূৰণত সহায় আগবঢ়াইছে। নামভৰ্তি সহায়ক কেন্দ্ৰটোত ৭ মে'ৰপৰা ২৫ মে'লৈ বৃহত্তৰ বাঁহজানী অঞ্চলটোৰ প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ আবেদন কৰা হয়। এই সহায়ক কেন্দ্ৰটোত উপস্থিত থাকি পুথিভঁড়ালটোৰ তত্তাৱধায়ক জীৱন চন্দ্ৰ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যত দিনৰ বাবে শুভেচ্ছা জনায়। সহায়ক কেন্দ্ৰটোত বাঁহজানী আছুৰ সভাপতি ৰাহুল বৰ্মন, বিষয়ববৰীয়া অভিলাশ কাশ্যপ, অনুপ বৈশ্য, বিশাল কুমাৰ দাস, অবিনাশ ৰাজবংশী, দিশাল শৰ্মা, জ্যোতিৰ্ময় ডেকা আদিয়ে সহযোগিতা আগবঢ়ায়।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# চামগুৰিত পথ দুৰ্ঘটনাত চাৰিজন গুৰুতৰভাৱে আহত

**ই-সংবাদ, পুৰণিগুদাম, ২৭ মে':** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ সন্মুখৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত চাৰিজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰামতে, আজি বিয়লি চামগুৰি আৰক্ষী থানাৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাইপথত এ এছ-০২ এ ই-৪১৯৩ নম্বৰৰ গাড়ীখনৰ লগত এ আৰ-০৩-৫৯০৮ নম্বৰৰ গাড়ীখনৰ সংঘৰ্ষ হয়। ফলত এগৰাকী মহিলাসহ চাৰিজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ গুৰুতৰভাৱে আহত মহিলাগৰাকীসহ লোক কেইজনক চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। আনহাতে, দুৰ্ঘটনাত আহত হোৱা লোকসকলৰ পৰিচয় বাতৰি লিখা সময়লৈকে জানিব পৰা নাই।

# দুৰ্লভ বুঢ়াগোহাঁইলৈ গড়গাঁও মহাবিদ্যালয়ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**ই-সংবাদ, শিৱসাগৰ, ২৭ মে':** গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সাংবাদিক দুৰ্লভ বুঢ়াগোহাঁইৰ পৰলোকপ্ৰাপ্তিত গড়গাঁও মহাবিদ্যালয় পৰিয়ালে শোক প্ৰকাশ কৰি আজি মহাবিদ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, উপাধ্যক্ষ দিগন্ত কোঁৱৰ, বিভিন্ন বিভাগৰ অধ্যাপক, কৰ্মচাৰী, শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানটিত তেখেতৰ সান্নিধ্যধন্য ব্যক্তিসকলে শ্ৰদ্ধাৰে সুমধুৰ সময়ৰ সোঁৱৰণ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ শোকৰ সমভাগী হয়। উচ্চ ৰক্তচাপ আৰু হৃদৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড়ৰ এখন বেচৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ২৬ মে' তাৰিখে দেহাৱসান ঘটা দুৰ্লভ বুঢ়াগোহাঁইৰ মৃত্যু গড়গাঁও মহাবিদ্যালয়ৰ লগতে বৃহত্তৰ অসমীয়া সমাজ, সাহিত্য, শৈক্ষিক ক্ষেত্ৰৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই তেখেতৰ সৃষ্টিৰাজি সংকলিত কৰাৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিবলৈ অসমীয়া বিভাগৰ অধ্যাপকবৃন্দক আহ্বান জনায়। উপাধ্যক্ষ দিগন্ত কোঁৱৰে গড়গাঁও মহাবিদ্যালয় তথা বৃহত্তৰ সমাজৰ প্ৰতি তেখেতে আগবঢ়াই যোৱা অৱদানৰাজি সোঁৱৰণ কৰে। গল্প, কবিতা, প্ৰবন্ধ, শিশু সাহিত্য, অনুবাদ সাহিত্য, হাস্য-ব্যংগ সাহিত্য আদি বিভিন্ন বিধাৰ চৰ্চাৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই যোৱা দুৰ্লভ বুঢ়াগোহাঁই শিক্ষক হিচাপেও অতি জনপ্ৰিয়, অনন্য আৰু অনুকৰণীয় ব্যক্তিত্বসম্পন্ন আছিল বুলি অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই ব্যক্ত কৰে। বিভিন্ন সভা-সমিতি, আলোচনা চক্ৰত বক্তৃতা প্ৰদান কৰি সুবক্তা হিচাপে পৰিচিতি লাভ কৰা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদজনৰ মৃত্যুত গড়গাঁও মহাবিদ্যালয়ৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# চিআইএছএফৰ ৪০৩ টা হেড কনিষ্টবলৰ পদ মুকলি

**ই-সংবাদ, ২৭ মে':** চিআইএছএফৰ নুনমাটি ইউনিট অ'পিএছে মুকলি কৰা এক বিজ্ঞাপন অনুসৰি চিআইএছএফৰ ক্ৰীড়া কোটাত হেড কনিষ্টবল নিযুক্তি কৰা হ'ব। ২০২৫ বৰ্ষৰ বাবে অনলাইন আবেদন মুকলি কৰা হৈছে। চিআইএছএফৰ নুনমাটি ইউনিট অ'পিএছে এক বিবৃতিত কয় যে কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীয়ে ২০২৫ চনত ক্ৰীড়া কোটাৰ অধীনত ৪০৩ টা হেড কনিষ্টবল (জেনেৰেল ডিউটি) পদৰ বাবে নিযুক্তি দিছে। ২০২৫ চনৰ ১৮ মে'ত আবেদনৰ উইণ্ড' মুকলি কৰা হৈছিল, আৰু ২০২৫ চনৰ ৬ জুনত, নিশা ১১:৫৯ বজাত বন্ধ হ'ব। যোগ্য প্ৰাৰ্থীসকলে চিআইএছএফ নিযুক্তি পৰ্টেল, cisfrectt.cisf.gov.in ৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব।



কামৰূপৰ বংশৰত দলং নিৰ্মাণকাৰী সংস্থা এল এণ্ড টিৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ প্ৰতিবাদ

# ভগ্ন ডিভাইডাৰে বিপদ মাতিছে ভৱানীপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত



**ই-সংবাদ, ভৱানীপুৰ, ২৭ মে':** ভৱানীপুৰৰ ধুমাৰকুৰত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পাঁচবছৰো অধিককাল ভগ্ন ডিভাইডাৰ এটাই সচেতন ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। যমদূতৰূপী উক্ত ডিভাইডাৰটোৰ মাজেৰে পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়ত ডিভাইডাৰৰ ভগ্ন অংশত ইতিমধ্যে একাধিক দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত বহু লোক আহত হ'বলগীয়াত পৰিছে। এইক্ষেত্ৰত বজালী জিলা প্ৰশাসনে নিৰৱ ভূমিকা পালন কৰাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য, প্ৰায় কুৰিবছৰ আগেয়ে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী কে এম চি আৰু তেওঁলোকৰ সহযোগী সংস্থা চিমপ্লেক্সৰ দ্বাৰা অঞ্চলটোৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ প্ৰায় ৩১ কিলোমিটাৰ অংশ ওৱান ৱেৰ পৰা টু ৱেলৈ উন্নীতকৰণ আৰু কেইবাখনো সৰু-বৰ দলং নিৰ্মাণৰ লক্ষ্যেৰে কাম আৰম্ভ কৰা হৈছিল যদিও সুদীৰ্ঘ কুৰিবছৰ পিছতো পথছোৱাৰ বহু অংশৰে কাম আজিকোপতি সম্পূৰ্ণ নোহোৱাৰ অভিযোগ উত্থাপন হৈছে। সম্প্ৰতি পথছোৱাৰ ধুমাৰকুৰৰ উল্লেখিত ভগ্ন ডিভাইডাৰৰ উত্তৰ আৰু দক্ষিণৰ পকী বেৰৰ প্ৰায় দহ মিটাৰ অংশ ভাগি উন্মুক্ত হৈ পৰাত একাংশ ৰাইজৰ লগতে বাইক আৰোহী আৰু শিল-বালি আৰু মাটি কঢ়িওৱা ট্ৰেক্টৰকে ধৰি বিভিন্ন যান-বাহনসমূহে ভগ্ন ডিভাইডাৰৰ মাজ অংশক হ্ৰস্ব দূৰত্বৰ পথ হিচাপে ব্যৱহাৰ কৰি অহা দেখা গৈছে। ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ উত্তৰ দিশে ভগ্ন ডিভাইডাৰটোৰ ঠিক সন্মুখতে টাঙলা চ'ক বজাৰ অৱস্থিত। স্বাভাৱিকতেই ব্যস্ততাপূৰ্ণ বজাৰত সমৱেত গ্ৰাহক ৰাইজৰ বাবে ভগ্ন ডিভাইডাৰটো অধিক শংকাৰ কাৰণ হৈ উঠিছে। ইতিমধ্যে নাতিদূৰৈত থকা এখন প্ৰাথমিক বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ কেইবাগৰাকীয়েও উক্ত ভগ্ন ডিভাইডাৰৰ মাজেৰে পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়ত দুৰ্ঘটনাত পতিত হোৱাৰ কথা জানিব পৰা গৈছে।

# জুন মাহত মুকলি কৰা হ'ব লাভলীনা বক্সিং একাডেমী

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৭ মে' :** উত্তৰ গুৱাহাটীৰ চন্দ্ৰা গাৱঁত সদ্য প্ৰতিষ্ঠিত লাভলীনা বক্সিং একাডেমী অহা জুন মাহৰ প্ৰথম সপ্তাহতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখ্য যে, অসম গৌৰৱ, অলিম্পিয়ান বক্সাৰ লাভলীনা বৰগোহাঁইৰ নিজস্ব উদ্যোগত উত্তৰ গুৱাহাটীৰ চন্দ্ৰা গাৱঁত এখন আন্তঃৰাষ্ট্ৰীয় মানবিশিষ্ট উন্নত বক্সিং একাডেমী নিৰ্মাণৰ কাম যোৱা কেইবামাহ ধৰি চলি আছিল। সম্প্ৰতি এই বক্সিং একাডেমীখন আন্তৰ্জাতিক মানবিশিষ্ট সুযোগ সুবিধাৰে প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। লাভলীনা বৰগোহাঁইয়ে জনোৱা অনুসৰি বক্সিং একাডেমীখনৰ বাবে সুদূৰ পাটিয়ালাৰ পৰা অনা হৈছে উন্নত মানৰ সা-সামগ্ৰী। লাভলীনা বক্সিং একাডেমীৰ প্ৰথমখন উত্তৰ গুৱাহাটীত সফলতাৰে শুভাৰম্ভ কৰাৰ পিছতে তেওঁৰ উদ্যোগতে অসমৰ বিভিন্ন স্থানত স্থাপন কৰা হ'ব আন কেইবাখনো একেধৰণৰ বক্সিং প্ৰশিক্ষণ কেন্দ্ৰ। অসমৰ চুকে-কোণে লুকাই থকা প্ৰতিভাৱান উঠি অহা প্ৰজন্মক একেবাৰে কম খৰছত এখন উপযুক্ত মঞ্চ দিবলৈ মনত পুহি ৰখা এটা দীৰ্ঘদিনীয়া সপোনক বাস্তৱ ৰূপ দিয়াৰ অংশ হিচাপে এই একাডেমী প্ৰতিষ্ঠাৰ কাৰণ বুলি তেওঁ কথা প্ৰসংগত ব্যক্ত কৰে।

# শালমাৰাত আয়োজন পাঞ্জা খেল প্ৰতিযোগিতা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৭ মে':** কামৰূপ জিলাৰ শালমাৰা য়ুথ ছ'ছাইটিৰ উদ্যোগত এখন পাঞ্জাখেল প্ৰতিযোগিতা আৰু মহাকাল ফিটনেছ চেন্টাৰ, শালমাৰা এআইটিএ বেজেৰাৰ পৃষ্ঠপোষকতাত শালমাৰা এম ই স্কুলৰ প্ৰাঙ্গণত অহা ১ জুনত এদিনীয়া কাৰ্যসূচীৰে অপেন প্ৰাইজ মানি আৰ্ম ৰেষ্টলিং চেম্পিয়নপ্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলা দুয়োটা শাখাতে অনুষ্ঠিত হ'ব লগা এই ৰেষ্টলিং প্ৰতিযোগিতা খনত পুৰুষৰ ০-৫৫ কেজি , ৫৬-৬৫ , ৬৬-৭৫ আৰু ৭৫ পৰা কোনো নিৰ্দ্ধাৰিত ওজনৰ সীমাবদ্ধতা নাথাকিব। মহিলাৰ ক্ষেত্ৰতো বয়সৰ নাথাকিব কোনো সীমাবদ্ধতা। ইচ্ছুক প্ৰতিযোগীক ৯৬৭৮৪৫৩২৫৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।



আইপিএল ২০২৫: বিদায় বেলাত হৃদয় জিনিলে ঋষভে! বাংগালুৰৰ বিৰুদ্ধে শতক লক্ষ্ণৌৰ অধিনায়কজনৰ

## ইংলেণ্ড ভ্ৰমণত ভাৰতীয় টেষ্ট ক্ৰিকেটৰ অধিনায়কত্বক লৈ বিতৰ্ক

# গিল তৃতীয় পছন্দ হোৱা উচিত আছিল! দাবী প্ৰাক্তন বেটাৰ ছেহৱাগৰ

**নতুন দিল্লী, ২৭ মে':** ভাৰতীয় টেষ্ট দলৰ নতুন অধিনায়ক হিচাপে শুভমন গিলক ঘোষণা কৰাৰ পিছতে বিতৰ্কৰ সৃষ্টি হৈছে। গিলক অধিনায়ক হিচাপে নিযুক্তি দিয়াটো সঠিক সিদ্ধান্ত হয় নে নহয় সেই সন্দৰ্ভত ক্ৰিকেট সমাজত প্ৰশ্ন উত্থাপন হৈছে। এই বিতৰ্কত এইবাৰ যোগ দিলে প্ৰাক্তন বিধ্বংসী অ'পেনাৰ বীৰেন্দ্ৰ ছেহৱাগেও। তেওঁৰ মতে, টেষ্টৰ অধিনায়ক হিচাপে শুভমন গিলৰ নাম পছন্দ তালিকাৰ তৃতীয় স্থানত থকা উচিত আছিল। শেহতীয়াকৈ মুখ্য নিৰ্বাচক অজিত আগৰকাৰে ইংলেণ্ড ভ্ৰমণৰ বাবে দল ঘোষণা কৰি কয় যে আঘাতৰ সমস্যাৰ বাবে বুমৰাহক অধিনায়ক হিচাপে নিবিচাৰে। কিন্তু বহু অনেক মহলে বিশ্বাস কৰিছিল যে বুমৰাহ ভাৰতৰ টেষ্ট অধিনায়ক হোৱাৰ আটাইতকৈ ডাঙৰ প্ৰতিদ্বন্দ্বী। প্ৰাক্তন ক্ৰিকেটাৰ মনোজ তিৱাৰী আৰু ছেহৱাগৰ মাজতো একে মতামত আছে।শেহতীয়াকৈ এক আলোচনাত মনোজ তিৱাৰীয়ে কয়, "অধিনায়ক হিচাপে গিল দ্বিতীয় পছন্দ। প্ৰথম এঘাৰত সোমাবও নোৱাৰা অধিনায়ক কেনেকৈ বনাব?" মনোজৰ কথাত একমত হোৱাৰ পিছতো ছেহৱাগে অলপ বেলেগ মতামত প্ৰকাশ কৰে। তেওঁৰ মতে বুমৰাহ প্ৰথম পছন্দ। কিন্তু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় পেচাৰগৰাকীক অধিনায়ক হিচাপে ৰাখিবলৈ ইচ্ছুক নহয় 'নাজাফগড়ৰ নবাব'। ছেহৱাগে স্পষ্ট কৰি দিয়ে যে, "বুমৰাহক অধিনায়ক নিদিয়াৰ সিদ্ধান্তত একো দোষ নাই। তিৱাৰীয়ে কৈছিল গিল দ্বিতীয় পছন্দ। মই ক'ম গিলৰ নাম তিনি নম্বৰত আহিব। পণ্টক তেওঁৰ আগতে ৰখা উচিত আছিল। পণ্টে টেষ্ট ক্ৰিকেটৰ বাবে যি কৰিছে, আন কোনোৱে কৰা নাই। বিৰাট কোহলীৰ পিছত অনুৰাগীয়ে তেওঁক খেলা চাই ভাল পায়।" কিন্তু দুৰ্ঘটনাৰ পিছত পণ্টৰ প্ৰভাৱ কিছু হ্ৰাস পোৱা বুলি ছেহৱাগে কয়, "সেইবাবেই তেওঁক এতিয়াৰ বাবে উপ-অধিনায়ক নিযুক্তি দিয়া হৈছে।" অৰ্থাৎ দুজন 'প্ৰাপ্য' ক্ৰিকেটাৰৰ পৰিৱৰ্তে গিলক কিয় অধিনায়ক নিযুক্তি দিয়া হ'ল সেই লৈ তেওঁ এটা ডাঙৰ প্ৰশ্ন উত্থাপন কৰে। মন কৰিবলগীয়া যে আই পি এলত গুজৰাটৰ অধিনায়ক হিচাপে গিলৰ ভূমিকাক লৈও ছেহৱাগে প্ৰশ্ন উত্থাপন কৰিছিল। তেওঁৰ বক্তব্য আছিল, "গিল প্ৰস্তুত নহয়।" অৱশ্যে গিলৰ নেতৃত্বত গুজৰাটে প্লে অফৰ বাবে যোগ্যতা অৰ্জন কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি